Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, JUNE 2, 2025 ■ সোমবাৰ, ১৮ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৫৫ Guwahati, Assam ।। মূল্যঃ এটকা

# মুখ্যমন্ত্ৰীৰ বাবেই আজি মই এপিচিচিৰ সভাপতিৰ পদ লাভ কৰিছোঁঃ গৌৰৱ গগৈ

## শিৱসাগৰত গৌৰৱক আদৰণি কংগ্ৰেছৰ



ই-সংবাদ, শিৱসাগৰ, ১ জুনঃ অসম প্ৰদেশ কংগ্ৰেছৰ নৱ-নিযুক্ত সভাপতি গৌৰৱ গগৈয়ে আজি শিৱসাগৰত উপস্থিত হৈ এক গণ সংযোগ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কালি যোৰহাটৰ লগতে শেষাংশ ৫ পৃষ্ঠাত

# শিৱসাগৰৰ মামল গড়ভগাত ভাগিল শ্লুইচ গেট, শংকিত হৈ পৰিছে ৰাইজ

ই-সংবাদ, শিৱসাগৰ, ১ জুনঃ বিগত কেইবাদিন ধৰি অসমৰ লগতে চুবুৰীয়া ৰাজ্যসমূহত হোৱা বৰষুণৰ ফলত সৰু সৰু ২ পৃষ্ঠাত

## মোদীৰ গুজৰাট মডেলত ঘূণ পোক

# বিয়াগোম দুৰ্নীতিত দুই মন্ত্ৰী পুত্ৰক গ্ৰেপ্তাৰ

নতুন দিল্লী, ১ জুনঃ ভাৰতীয় জনতা পাৰ্টিয়ে 'বিকাশৰ আৰ্হি'ৰূপে উপস্থাপন কৰি অহা মোদীৰ গুজৰাটত এইবাৰ ১০০ দিন কৰ্ম প্ৰকল্পৰ নামত সংঘটিত হ'ল বিয়াগোম দুৰ্নীতি। ইতিমধ্যে এই কেলেংকাৰীৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে বিজেপি শাসিত ৰাজ্যখনৰ দুই মন্ত্ৰী পুত্ৰকো। ইয়াৰ শেষাংশ ৩ পৃষ্ঠাত

## জলমগ্ন শ শ গাঁও, ৮০ হাজাৰ লোক প্ৰভাৱিত

# বাৰিষাৰ বানত উটিল সহস্ৰ সপোন!

■ নতুন নতুন ঠাইত ৰেড এলাৰ্ট জাৰি



ই-সংবাদ, গুৱাহাটী-চাবুৱা-কামপুৰ ১ জুনঃ বানে সংহাৰী ৰূপ লৈছে অসমকে ধৰি উত্তৰ-পূৰ্বৰ আন আন ৰাজ্যসমূহত। চৰকাৰী খবৰ অনুসৰি বানত সমগ্ৰ ২ নং পৃষ্ঠাত

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## ৰিয়েলিটী শ্ব'ত ৰাণাৰ্ছ আপ

# টেমছৰ দেশত গৌৰৱধ্বজা বিনীতাৰ



লণ্ডন, ১ জুন: কণমানি বয়সতে নিজৰ অসাধাৰণ নৃত্য প্ৰতিভাৰদ্বাৰা স্বদেশ-স্বজাতিলৈ গৌৰৱ কঢ়িয়াই আনিলে বিনীতা ছেত্ৰীয়ে। বিশ্বৰ অন্যতম ৩ পৃষ্ঠাত



# মিছ ৱৰ্ল্ড হ'ল থাই সুন্দৰী অপাল

হায়দৰাবাদ, ১ জুন: থাইলেণ্ডৰ অপাল চুচাটা চুৱাংশ্ৰীৰ শিৰত মিছ ৱৰ্ল্ড ২০২৫ৰ মুকুট। শনিবাৰে ৩ নং পৃষ্ঠাত

## ৰুষ্ট প্ৰকৃতি! উত্তৰ-পূবত বান, ভূমিস্খলনৰ বিধ্বংসী ৰূপ



### কমেও ৩২ জনৰ মৃত্যু

আইজল, ১ জুনঃ প্ৰচণ্ড বৰষুণে বিভীষিকা নমাইছে উত্তৰ-পূবত! অবিৰতভাৱে হৈ থকা ধাৰাসাৰ বৰষুণৰ পিছতে বান, ভূমিস্খলনে কালৰূপ ধৰিছে ৪ পৃষ্ঠাত চাওক

# বান নিয়ন্ত্ৰণত ব্যৰ্থ হিমন্ত চৰকাৰ! ক্ষুব্ধ অখিল গগৈ

## ফ্লাই অভাৰক লৈও অসন্তুষ্টি


ই-সংবাদ বিশেষ, ১ জুনঃ ৰাজ্যত বানে সংহাৰী ৰূপ ধাৰণক লৈ সৰৱ হৈ পৰিছে শিৱসাগৰৰ বিধায়ক অখিল গগৈ। নিজ সমষ্টিত হোৱা বান পৰিস্থিতি মোকাবিলা ৫ পৃষ্ঠাত

## যুৱতীক শাৰীৰিক নিগ্ৰহৰ ভিডিঅ' ভাইৰেল

# 'শিক্ষক' ভিক্টৰৰ বিৰুদ্ধে বীৰ লাচিত সেনাৰ এজাহাৰ







ই-সংবাদ, ১ জুনঃ আকৌ বিতৰ্কত 'শিক্ষক' ভিক্টৰ দাস! এইবাৰ এগৰাকী যুৱতীক প্ৰকাশ্যে অত্যাচাৰ চলাই ৪ নং পৃষ্ঠাত

# বৰকুৱানীত গৰু চোৰক ধৰি ৰাইজৰ প্ৰহাৰ

## জ্বলাই দিলে এখন গাড়ী

ই সংবাদ, জাগীৰোড, ১ জুনঃ মৰিগাঁও জিলাৰ অন্তৰ্গত জাগীৰোডৰ সমীপৱৰ্তী মায়ঙৰ বৰকুৱানীত গৰু ২ নং পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাৰিষাৰ বানত উটিল সহস্ৰ সপোন!

অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম আৰু নাগালেণ্ডত মৃত্যুৰ ৩২ জন লোকে প্ৰাণ হেৰুৱাইছ, কেৱল অসমতে বানত প্ৰায় ৮০ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে। যোৱা ২৯ মে'ৰ পৰা হোৱা ধাৰাসাৰ বৰষুণৰ ফলত অসমৰ বহুতো ঠাই বানত বুৰ গৈছে। বানত গোলাঘাট জিলাত এটি শিশুসহ দুজন লোকৰ মৃত্যু হোৱাৰ বিপৰীতে লখিমপুৰ জিলাত এজন লোকৰ মৃত্যু হয়। আনহাতে কামৰূপ (মেট্ৰ') জিলাত ভূমিস্খলনৰ ফলত ৫জন লোকে প্ৰাণ হেৰুৱায় । অসম তথা চুবুৰীয়া ৰাজ্যসমূহত ধাৰাবাহিকভাৱে হোৱা বৰষুণৰ পিছত অসমত বৰ্তমান মুঠ ১৭খন জিলা প্লাৱিত হৈছে। ইয়াৰ ভিতৰত আটাইতকৈ ক্ষতিগ্ৰস্ত হৈছে লখিমপুৰ জিলা, য'ত ৫০ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। ব্ৰহ্মপুত্ৰ আৰু বৰাককে ধৰি ১০খন ডাঙৰ নদীৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ যোৱাৰ ফলত বান পৰিস্থিতি অধিক ভয়াৱহ হৈ পৰিছে। ইতিমধ্যে কেন্দ্ৰীয় জল বৰ্ডে অঞ্চলসমূহত কমলা এলাৰ্ট জাৰি কৰিছে। ৰাজ্যখনৰ ধেমাজি, দক্ষিণ শালমাৰা, লখিমপুৰ, ডিব্ৰুগড়, গোলাঘাট, দৰং, নগাঁও, কাৰ্বি আংলং, কামৰূপ, বিশ্বনাথ, তিনিচুকীয়া, কাৰ্বি আংলং (পশ্চিম), যোৰহাট, শিৱসাগৰ আৰু মাজুলীৰ বহু গাঁও এতিয়া বানৰ ফলত যোগাযোগ বিচ্ছিন্ন হৈ আৰদ্ধ হৈ পৰিছে। ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি হোৱাৰ বাবে বন্ধ কৰি দিয়া হৈছে কমলাবাৰীৰ ফেৰীঘাট। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি পানীয়ে ২২টা পথ, এখন দলং, আৰু তিনিটা মথাউৰি ভাঙি পেলোৱাৰ ফলত উদ্ধাৰ প্ৰচেষ্টা আৰু অধিক জটিল হৈ পৰিছে। জানিব পৰা মতে, সমগ্ৰ অসমত মুঠ ৭৯১.৩২ হেক্টৰ কৃষিভূমি বানত বুৰ গৈছে। বানৰ কোবাল সোঁতত উটি গৈছে ১৯৪টা জন্তু। বিশেষকৈ অৰুণাচল প্ৰদেশৰ কিবিট্ৰু (১৭ চে.মি.), হাউলিয়াং (১৫ চে.মি.), আৰু কালাকটাং (১০ চে.মি.)ত হোৱা প্ৰচণ্ড বৰষুণৰ ফলত তলৰ পানীৰ স্তৰ বৃদ্ধি পোৱাৰ বাবে নামনিবাসী ৰাইজক সতৰ্কবাণী জাৰি কৰিছে হিমন্ত বিশ্ব শৰ্মাই। অসম ইতিমধ্যে শিলচৰ (৪২ ছেণ্টিমিটাৰ), কৰিমগঞ্জ (৩৫ ছেণ্টিমিটাৰ), হাইলাকান্দি (৩০ ছেণ্টিমিটাৰ) আৰু সমীপৱৰ্তী এলেকা প্ৰবল বৃষ্টিপাতৰ সাক্ষী হৈছে। শৰ্মাই লগতে উল্লেখ কৰিছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই বানৰ লগত মোকাবিলা কৰিবলৈ সম্ভৱপৰ সকলো সহায়ৰ আশ্বাস দিছে। এএছডিএমএয়ে পাঁচটা সাহায্য শিবিৰ আৰু একাধিক বিতৰণ কেন্দ্ৰ স্থাপন কৰিছে, বৰ্তমান ১২০০ৰো অধিক লোকক আশ্ৰয় দিছে আৰু প্ৰায় ৭ হাজাৰ আক্ৰান্ত ব্যক্তিক সাহায্য প্ৰদান কৰিছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী (এছডিআৰএফ), অসামৰিক প্ৰতিৰক্ষা, আৰু স্থানীয় প্ৰশাসনে আৱদ্ধ লোকসকলক উদ্ধাৰৰ বাবে কাম কৰি আছে, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী (এনডিআৰএফ)কো সাহায্য সামগ্ৰী বিতৰণৰ বাবে নিয়োগ কৰা হৈছে। উল্লেখ্য যে বৃহস্পতিবাৰে মাজনিশা লখিমপুৰত এক সতৰ্কবাৰ্তা জাৰি কৰি নীপকোৱে ৰঙানদী জলবিদ্যুৎ প্ৰকল্পৰ জলাধাৰৰ অতিৰিক্ত পানী এৰি দিয়ে। পানী এৰি দিয়া কেইটামান মুহূৰ্তৰ ভিতৰতে লখিমপুৰৰ বহুকেইখন গাঁও নিমিষয়তে বানত বুৰ যায়। ৰঙানদীৰ পানীৰ ফলত বহু বাটপথ, দলং, মথাউৰি, বাসগৃহ কোবাল সোঁতে উটুৱাই লৈ যায়। আনহাতে, পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছ' আৰু হামৰেণৰো বিভিন্ন প্ৰান্তত বানপানীৰ সৃষ্টি হয়। জিলাখনৰ ১০০ মেগাৱাট শক্তিসম্পন্ন কাৰ্বি লাংপি জলবিদুযৎ প্ৰকল্পৰ পাঁচখনকৈ শ্লুইছ গেটৰ পানী খুলি দিয়াৰ ফলত উফন্দি উঠে কাৰ্বি লাংপি নদীৰ জলপৃষ্ঠ। ফলত বৈঠালাংছ' আৰু বৰচালি সংযোগী পথৰ ওপৰেদি পানী বাগৰি যোৱাত দহখনকৈ গাঁৱৰ সংযোগ বিচ্ছিন্ন হৈ পৰাৰ লগতে প্লাৱিত হৈ পৰে খাৰুপিন্ধা, ইংহিন গাঁৱ, বৰচালি, থাৰ্বে আবি, ৰংতুমেন, আমডুবি, শিলডুবি, ৰংফেলান, উদমাৰীকে ধৰি সৰ্বমুঠ দহখনকৈ গাঁও। উল্লেখ্য যে খানদং বান্ধৰ চাৰিখনকৈ গেটৰ লগতে কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ পাঁচখন কৈ গেট খুলি দিয়াৰ ফলত বৃদ্ধি পোৱা কপিলী আৰু ইয়াৰ উপনৈ বৰপানী আৰু নিশাৰীৰ জলস্তৰে শনিবাৰৰ পৰাই অতিক্ৰম কৰিছে বিপদসীমা। তিনিওখন নৈয়ে সমগ্ৰ কামপুৰ অঞ্চলত সংহাৰ সৃষ্টি কৰিছে। কপিলী নৈৰ বাঢ়নী পানীয়ে শনিবাৰে মাজনিশা কামপুৰৰ উত্তৰপাৰৰ পটিয়াপামৰ এটা গুৰুত্বপূৰ্ণ মথাউৰি ছিঙি প্লাৱিত কৰে কামপুৰৰ কেইবাখনো ৰাজহ গাঁও। কামপুৰ পটিয়াপামৰ আৰু যমুনামুখ সংযোগী পথৰ লগতে কামপুৰ গোঁসাইগাওঁ সংযোগী পথৰ কেইবাঠাইত পথৰ ওপৰেৰে পানী বাগৰাত যাতায়ত ব্যাহত হৈ পৰিছে। বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত পটিয়াপামৰ মথাউৰী নিশা কপিলী নদীৰ বাঢ়নী পানীয়ে ছিঙি নিয়াত বহুলোক আতংকিত হৈ পৰিছে। পটিয়াপামৰ মথাউৰি ছিঙি নিয়াৰ ফলত নিশাই কপিলী নদীৰ বাঢ়নী পানী হুৰাহুৰে বৃদ্ধি পোৱাৰ ফলত কপিলীৰ উত্তৰপাৰৰ পটিয়াপামকে ধৰি কহাৰগাঁও, চাংজুৰাই, কাঠকটীয়াগাওঁ, লক্ষীমি নগৰ বানপানীৰ কবলত পৰিছে। ঠিক সেইদৰে কপিলী নৈৰ দক্ষিণ পাৰত থকা গোঁসাইগাঁও গাৰুখুন্দা, চাংচকী আদি গাওঁ জলমগ্ন হৈ পৰিছে। স্থানীয় ৰাইজৰ লগতে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে অসম চৰকাৰৰ জলসম্পদ বিভাগ আৰু স্থানীয় বিধায়কৰ পৰা তৎকালীন ব্যৱস্থা গ্ৰহণৰ বাবে দাবী উত্থাপন কৰিছে । ইপিনে  ডিব্ৰুগড় জিলাৰ চাবুৱা ৰাজহ চক্ৰৰ অন্তৰ্গত ৰহমৰীয়াত এক চাঞ্চল্যকাৰী ঘটনা সংঘটিত হৈছে। কালি ৰহমৰীয়াৰ পৰা ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ পলভঙা চাপৰিলৈ নিজৰ গৰুখুঁটিলৈ যোৱা ৪ জন লোক আজি পৰ্য্যন্ত সিটো পাৰে আৱদ্ধ হৈ থাকিব লগা হৈছে। ব্ৰহ্মপুত্ৰ নদীৰ পানী হঠাৎ বাঢ়ি অহাত উভটি আহিব নোৱাৰিলে ভুটভুটি নাঁৱত সিপাৰলৈ যোৱা ব্যক্তি কেইজন। লোককেইজনক এছ ডি আৰ এফ বাহিনীয়ে উদ্ধাৰৰ প্ৰচেষ্টা চলাই ব্যৰ্থ হোৱাৰ পিছত এতিয়া হেলিকপ্তাৰৰ দ্বাৰা প্ৰশাসনে লোককেইজনক উদ্ধাৰ কৰাৰ প্ৰয়াস চলাব বুলি জানিব পৰা গৈছে। এই ৰুদ্ধশ্বাস ঘটনাৰ ফলত কালিৰ পৰা অঞ্চলটোত তীব্ৰ চাঞ্চল্য বিৰাজ কৰি থকা পৰিলক্ষিত হৈছে। ব্যক্তিকেইজনৰ নাম অজয় উৰাঙ, প্ৰাঞ্জল উৰাঙ, পিটিকৈ দাস আৰু ৰঞ্জিত কুৰ্মী বুলি জানিব পৰা গৈছে। ইফালে ব্ৰহ্মপুত্ৰত সন্ধানহীন হৈছে ৭ বছৰীয়া শিশু। লাহোৱালৰ অকলেণ্ডৰ ১৭নং লাইনত অঘটন। সন্ধানহীন ৭ বছৰীয়া তনুজ মুড়া নামৰ শিশুটি খেলিবলৈ যাওঁতেই ভৰি পিছল খাই ব্ৰহ্মপুত্ৰত পৰি যায়। বৰ্তমান শিশুটিৰ সন্ধানত স্থানীয় প্ৰসাশনৰ সহযোগত এছ ডি আৰ এফ, এন ডি আৰ এফে অভিযান অব্যাহত ৰাখিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰকুৰানীত গৰু চোৰক ধৰি ৰাইজৰ

চুৰিৰ ঘটনাক লৈ এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। জানিব পৰা মতে, শনিবাৰে পুবতি নিশা গৰু চোৰৰ দলটোৱে জিলাখনৰ কপৌজুৰি অঞ্চলৰ পৰা গৃহস্থ শুই থকাৰ সুযোগ লৈ কেবাটাও গৰু চুৰিৰ অপচেষ্টা চলাইছিল। সেই সময়তে অঞ্চলটোৰ একাংশ সজাগ হৈ থকা লোকে কৌশলেৰে তিনিটাকৈ গৰু চোৰক ধৰি উত্তম-মধ্যম শোধায়। পিছত ঘটনাস্থলীত মায়ং আৰক্ষীয় উপস্থিত হৈ কোনো মতে প্ৰাণ ৰক্ষা কৰি থানালৈ লৈ আনে চোৰকেইটাক। ইফালে গৰু চুৰি কৰি অনা এএছ ০২ ডিচি ৫২২০ নম্বৰৰ সামগ্ৰী কঢ়িওৱা বলেৰো বাহনখনো জ্বলাই দিয়ে উত্তেজিত ৰাইজে। উল্লেখযোগ্য যে, অঞ্চলটোত এটা গৰু চুৰি চক্ৰই দীৰ্ঘদিন ধৰি সন্ত্ৰাস চলাই আহিছিল। কিন্তু শনিবাৰে নিশা চোৰৰ কপাল বেয়া আছিল। ফলত ৰাইজৰ হাতত ধৰা পৰে চুৰি গৰুসহ চোৰৰ দলটো। খেদি খেদি ৰাইজে তিনিটা গৰু চোৰক কৰায়ত্ত কৰে। এই চোৰকেইটা হৈছে মইনুল, ৰফকুল আৰু আছাদুল। আনহাতে বাবু আৰু মুশ্বাৰফ নামৰ আন দুটা চোৰ পলাই যাবলৈ সক্ষম হয়। ধৃত চোৰ কেইটাৰ ঘৰ কুছিয়ানি আৰু মৰিসুতি পামত বুলি জানিব পৰা গৈছে। এই লৈ আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# মিছ ৱৰ্ল্ড হ'ল থাই সুন্দৰী অপাল

হায়দৰাবাদত অনুষ্ঠিত হৈছিল মিছ ৱৰ্ল্ড ২০২৫ৰ গ্ৰেণ্ড ফিনালে অনুষ্ঠান। বিশ্বৰ অন্যতম গুৰুত্বপূৰ্ণ এই সৌন্দৰ্য প্ৰতিযোগিতাত ৰানাৰ্ছ আপ হিচাপে স্থান দখল কৰে ইথিওপিয়াৰ হাছেট ডেৰেজে আদমাছে। পোলেণ্ডৰ মাজা ক্লাজডা দ্বিতীয় ৰানাৰ্ছ আপ হোৱাৰ বিপৰীতে মাৰ্টিনিকৰ অৰেলি জোৱাচিমে তৃতীয় ৰানাৰ্ছ আপৰ খিতাপ লাভ কৰিবলৈ সক্ষম হয়। অনুষ্ঠানৰ বাবে চুৱাংশ্ৰীয়ে পিন্ধিছিল ফুলৰ আৰ্হিৰে সজ্জিত বগা গাউন। গাউনটো নিৰাময় আৰু শক্তিৰ প্ৰতীক হিচাপে উপস্থাপন কৰা হৈছিল। তেওঁৰ শিৰত বিজয়ীৰ মুকুট পিন্ধাইছিল বৰ্তমানৰ মিছ ৱৰ্ল্ড চেক গণৰাজ্যৰ ক্ৰীষ্টিনা পিস্কোভাই। বিজয়ী চুৱাংশ্ৰীয়ে পুৰস্কাৰ হিচাপে লাভ কৰে ৮.৫ কোটি টকা। সমগ্ৰ বিশ্বৰ ১০৭ গৰাকী ৰাষ্ট্ৰীয় প্ৰতিনিধিৰ মাজত বিজয়ী হৈছিল চুৱাংশ্ৰী। উল্লেখ্য যে, মিছ ৱৰ্ল্ড প্ৰতিযোগিতাত থাইলেণ্ডৰ এয়া প্ৰথম জয়। এইবাৰ ভাৰততে প্ৰতিযোগিতা অনুষ্ঠিত হোৱা সত্বেও দেশক প্ৰতিনিধিত্ব কৰা নন্দিনী গুপ্তাই শীৰ্ষ ৮ গৰাকী ফাইনেলিষ্টৰ মাজত স্থান লাভ কৰিব নোৱাৰিলে। ৰাজস্থানৰ কোটাৰ ওচৰৰ কাইথুনৰ নন্দিনী শনিবাৰে সন্ধিয়া হায়দৰাবাদৰ হিটেক্স প্ৰদৰ্শনী কেন্দ্ৰত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত শীৰ্ষ ৪০ শাখাত 'ফাষ্ট ট্ৰেক' কৰা ১৮ গৰাকী প্ৰতিযোগীৰ ভিতৰত অন্যতম। এইবাৰৰ প্ৰতিযোগিতাখন তাৎপৰ্যপূৰ্ণ আছিল কিয়নো ভাৰতে দ্বিতীয়বাৰৰ বাবে এই সন্মানীয় অনুষ্ঠানটোৰ আয়োজন কৰিছিল। মুম্বাইত অনুষ্ঠিত হোৱা ৭১ সংখ্যক সংস্কৰণত চেক গণৰাজ্যৰ ক্ৰীষ্টিনা পিস্কোভাই মিছ ৱৰ্ল্ডৰ মুকুট পিন্ধিছিল। নন্দিনী গুপ্তা এই প্ৰতিযোগিতাত জয়ী হ'লে তেওঁ ভাৰতৰ পৰা মুকুট জয় কৰা সপ্তমগৰাকী প্ৰতিযোগী হ'লহেঁতেন। প্ৰতিযোগিতাত ২০১৭ চনত শেষবাৰৰ বাবে জয়ী হৈছিল মানুষী চিল্লাৰ। ভাৰতৰ পৰা প্ৰথম মিছ ৱৰ্ল্ড আছিল ৰীটা ফাৰিয়া, যিয়ে ১৯৬৬ চনত মুকুট লাভ কৰিছিল। তেওঁ আছিল প্ৰথম এছিয়ান মিছ ৱৰ্ল্ড। ১৯৯৪ চনত ঐশ্বৰ্য ৰায়ে, ১৯৯৭ চনত ডায়েনা হেডেনে, ১৯৯৯ চনত যুক্তা মুখীয়ে আৰু ২০০০ চনত প্ৰিয়ংকা চোপ্ৰাই এই মুকুট লাভ কৰিছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# টেমছৰ দেশত গৌৰৱধ্বজা বিনীতাৰ

বৃহৎ মঞ্চ "ব্ৰিটেইনছ গট টেলেন্ট" (বিজিটি)ত অসমৰ ৯ বছৰীয়া বিনীতা ছেত্ৰীয়ে দ্বিতীয় ৰানাৰ্ছ আপৰ স্থান দখল কৰিবলৈ সক্ষম হ'ল। কাৰ্বি আংলঙৰ পাহাৰীয়া জিলাৰ এখন সৰু গাঁৱৰ পৰা বিশ্বৰ অন্যতম বৃহৎ মঞ্চলৈ বিনীতাৰ এই অসাধাৰণ যাত্ৰাৰ শলাগ লৈছে সকলোৱে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তেওঁক শুভকামনা জনাই কয় যে তেওঁ এই কৃতিত্বৰে সকলোকে গৌৰৱান্বিত কৰি তুলিছে। ছ'চিয়েল মিডিয়া পোষ্টত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "তেওঁ গৌৰৱৰ পথত নৃত্যৰে যাত্ৰা কৰিছে। বিজিটি ফাইনেলত তৃতীয় স্থান দখল কৰাৰ বাবে আমাৰ আপোন বিনিতা ছেত্ৰীক বহুত অভিনন্দন... তেওঁৰ নৃত্যই ব্ৰহ্মপুত্ৰৰ পৰা টেমছলৈকে দৰ্শকক মন্ত্ৰমুগ্ধ কৰি তুলিছে আৰু আমাক সকলোকে গৌৰৱান্বিত কৰিছে।" বিনিতাই বিজিটিৰ অফিচিয়েল ছ'চিয়েল মিডিয়া চাইটত প্ৰকাশ কৰা এটা ভিডিঅ'ত তেওঁৰ সমৰ্থক আৰু ছ'চিয়েল মিডিয়া অনুগামী, বিশেষকৈ যুক্তৰাজ্যৰ দৰ্শকক ভোটদান আৰু তেওঁৰ যাত্ৰাক আশীৰ্বাদ দিয়াৰ বাবে ধন্যবাদ জনায়। এছিয়াৰ ভাৰত, নেপাল, ভুটান আদি দেশৰ পৰা পোৱা উৎসাহে তেওঁক বিশ্বৰ মঞ্চত আগবাঢ়ি যাবলৈ শক্তি প্ৰদান কৰা বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি বিনীতাই তেওঁক ব্যক্তিগতভাৱে লগ কৰি সহযোগিতা আৰু আশীৰ্বাদ কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ আশা কৰা বুলি কয়। "মই আশা কৰোঁ এই বাৰ্তা তেওঁৰ ওচৰলৈ যাব, আৰু মই তেওঁক লগ পোৱাৰ সুযোগ পাম।" বোকাজানৰ ওচৰৰ তালবালিজান গাঁৱৰ বিনীতাৰ পিতৃ অমৰ ছেত্ৰী সামাজিক আৰু সমূহীয়া কাম-কাজৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ থকাৰ লগতেতে এখন সৰু ব্ৰইলাৰ কুকুৰাৰ পাম চলায়। কন্যাৰ প্ৰতিভাক উদগণি দি তেওঁ প্ৰথমে গুৱাহাটীত আৰু তাৰ পিছত জয়পুৰত নৃত্য প্ৰশিক্ষণৰ ব্যৱস্থা কৰে। বিনীতাই পেহীয়েক অমৃতা দেৱী আৰু নৃত্য পৰিচালক হাৰ্দিক ৰাৱটৰ নিৰ্দেশনাত, বিজিটি বিনীতা চেত্ৰী সহায়ক গোটৰ সমন্বয়ক নন্দ কিৰাতি দেৱানৰ তত্ত্বাৱধানত অনুশীলন কৰিছিল। শাৰীৰিকভাৱে প্ৰত্যাহ্বানপূৰ্ণ বেকফ্লিপকে ধৰি বিনিতাৰ জটিল নৃত্যশৈলীয়ে বিজিটিত বিচাৰক আৰু দৰ্শকৰ হাতচাপৰি বুটলিবলৈ সক্ষম হৈছিল। বিনীতাই শনিবাৰে নিশা অনুষ্ঠিত হোৱা ৰিয়েলিটি শ্ব'ৰ ফাইনেলত দ্বিতীয় ৰানাৰ্ছ আপৰ স্থান জয় কৰে। পৰিয়ালে দাবী কৰিছে যে তেওঁ ভাৰতৰ পৰা শ্ব'টোৰ শেষ পৰ্যায়ত উপনীত হোৱা প্ৰথমগৰাকী প্ৰতিযোগী। এই প্ৰতিযোগিতাত ব্ৰিটিছ যাদুকৰ হেৰী মল্ডিঙে জয়লাভ কৰাৰ বিপৰীতে দ্বিতীয় স্থান লাভ কৰে এলইডি ডান্স গ্ৰুপ "দ্য ব্লেকআউটছ"এ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিয়াগোম দুৰ্নীতিত দুই মন্ত্ৰী পুত্ৰক

পিছতে সমগ্ৰ দেশজুৰি বিজেপিৰ মাজত বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে তীব্ৰ অস্বস্তি। উল্লেখ্য যে, যোৱা এপ্ৰিল মাহত গুজৰাটৰ পঞ্চায়ত ৰাজ্য মন্ত্ৰী বাচুভাই খাবড়ৰ দুই পুত্ৰ বলৱন্ত খাবড় আৰু কিৰণ খাবড়ৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগত ৰুজু কৰা হৈছিল গোচৰ। এই কেলেংকাৰীৰ অভিযোগত কিৰণ আৰু বলৱন্তক গ্ৰেপ্তাৰ কৰা হয় যদিও যোৱা ২৯ মে'ত দুয়োজন মন্ত্ৰীপুত্ৰই জামিন লাভ কৰে। কিন্তু জেলৰ পৰা মুকলি হোৱাৰ কিছু সময়ৰ পাছতে আন এটা গোচৰত পুনৰ গ্ৰেপ্তাৰ কৰা হয় কিৰণ খাবড়ক। দেওবাৰে এশ দিনীয়া কামৰ সৈতে জড়িত আন এটা গোচৰত আৰক্ষীয়ে বলৱন্তকো গ্ৰেপ্তাৰ কৰে। উপ-আৰক্ষী অধীক্ষক জগদীষীন ভাণ্ডাৰীয়ে জনোৱা মতে, যোৱা শনিবাৰে (৩১ মে') বলৱন্তৰ বিৰুদ্ধে দহোদ আৰক্ষী থানাত আন এক এজাহাৰ দাখিল কৰা হৈছিল। অভিযোগ অনুসৰি বলৱন্তৰ কোম্পানী 'শ্ৰীৰাজ কনষ্ট্ৰাকচন কোম্পানী, পাইপেৰো'ই দহোদৰ ধনপুৰ তালুকৰ ভানপুৰ গাঁৱত ১০০ দিনীয়া প্ৰকল্পৰ অধীনত কাম সম্পূৰ্ণ নকৰাকৈয়ে ২০২২-২৩ চনত চৰকাৰৰ পৰা ৩৩.৮৬ লাখ টকা লাভ কৰিছিল। চৰকাৰী কৰ্মচাৰীৰ সৈতে গোপন বুজাবুজি কৰি এই ধন আত্মসাৎ কৰা বুলিও অভিযোগ উত্থাপন হৈছে। চুক্তিৰ অধীনত সামগ্ৰী ডেলিভাৰী নকৰাৰ পিছতো কৰ্তৃপক্ষই বিভিন্ন সংস্থাক ধন দি থকা বুলি ধৰা পৰাৰ পাছত এপ্ৰিল মাহৰ পৰা এই সন্দৰ্ভত তৃতীয়টো গোচৰ ৰুজু কৰিছে দাহোদ আৰক্ষীয়ে। ইয়াৰ পূৰ্বে ১৬ মে'ত বলৱন্ত আৰু কিৰণক ৭১ কোটি টকীয়া এমজিএনৰেগা কথিত কেলেংকাৰীত প্ৰতাৰণা, জালিয়াতি আৰু আস্থা ভংগৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছিল। সেই এফআইআৰ অনুসৰি ২০২১ চনৰ পৰা ২০২৪ চনৰ ভিতৰত বিভিন্ন সংস্থাই কাম সম্পূৰ্ণ কৰা নাছিল বা প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰা নাছিল, বৰঞ্চ ভুৱা সম্পূৰ্ণ হোৱাৰ প্ৰমাণ পত্ৰ আৰু ভুৱা নথি-পত্ৰ জমা দি ধন দাবী কৰিছিল। আৰক্ষীয়ে জনোৱা মতে, দাহোদ জিলাৰ দেৱগড় বৰিয়া আৰু ধনপুৰ তালুকত ভুৱা এম জি এনৰেগা প্ৰকল্পৰ সৈতে জড়িত বলৱন্ত আৰু কিৰণৰ কোম্পানী আছে। ২৯ মে'ত বলৱন্ত আৰু কিৰণ দুয়োজনে জামিন লাভ কৰে যদিও সেইদিনা কাৰাগাৰৰ পৰা মুক্তি পোৱাৰ লগে লগে দাহোদ আৰক্ষীয়ে কিৰণক নতুন গোচৰত গ্ৰেপ্তাৰ কৰে। যোৱা ২৯ মে'ত দাহোদ 'বি' সংমণ্ডল আৰক্ষীয়ে দাখিল কৰা এফআইআৰ অনুসৰি দাহোদৰ লাভোৰিয়া গাঁৱত কাম অসম্পূৰ্ণ হৈ থকাৰ পাছতো কিৰণৰ এটা কোম্পানীকে ধৰি বিভিন্ন সংস্থাক এনৰেগাৰ অধীনত ১৮.৪১ লাখ টকা প্ৰদান কৰা হৈছিল।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘শিক্ষক’ ভিক্টৰৰ বিৰুদ্ধে বীৰ লাচিত

বিতৰ্কত সোমাই পৰিছে ভিক্টৰ। দেওবাৰে সামাজিক মাধ্যমত ভাইৰেল হোৱা এটা ভিডিঅ’ত এগৰাকী যুৱতীক নিৰ্মমভাৱে প্ৰহাৰ কৰা দেখা গৈছিল ভিক্টৰ দাসক। ইয়াৰ পিছতে ভিক্টৰৰ বিৰুদ্ধে দিছপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে বীৰ লাচিত সেনাই। একে সময়তে শৃংখল চলিহাৰ সৈতে ভিক্টৰৰ সংঘাতেও এতিয়া তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে সামাজিক মাধ্যমত। ভিক্টৰ দাসৰ এনে কু-কাণ্ডৰ ভিডিঅ’ সামাজিক মাধ্যমত শ্বেয়াৰ কৰি তীক্ষ্ণ সমালোচনা কৰিছিল শৃংখল চলিহাই। তাৰ পিছতে ঘটনাৰ স্পষ্টীকৰণ দিবলৈ গৈ শৃংখল চলিহাৰ বিৰুদ্ধেও সৰৱ হৈ পৰে ভিক্টৰ। এই ভিডিঅ’ একান্তই ব্যক্তিগত বিষয় বুলি দাবী কৰি ভিক্টৰে কয় যে ভিডিঅ’টো ২০২২-২৩ চনৰে আছিল। ভিডিঅ’টোত তেওঁ প্ৰহাৰ কৰা যুৱতীগৰাকী 'ঘৰৰ মানুহ' বুলি দাবী কৰি ভিক্টৰ দাসে কয় যে কোনোৰে কিবা ভুল কৰিলে তাক শুধৰাবলৈ হাত তোলাটো তেওঁৰ ব্যক্তিগত কথা। তেওঁ কয়, "মই মহিলাৰ ওপৰত হোৱা হিংসাক সমৰ্থন নকৰো। এইটো মোৰ ব্যক্তিগত বিষয় আছিল।" ভিক্টৰে নিজৰ স্পষ্টীকৰণ প্ৰদান কৰি এটা ভিডিঅ’ত কয়, "ৰাইজে এই ভিডিঅ’টোৰ আঁৰৰ ঘটনা-পৰিঘটনাৰ বিষয়ে একো নাজানে।" ভিক্টৰে এটা পুৰণি ভিডিঅ’ শ্বেয়াৰ কৰি তেওঁক বদনাম কৰিব বিচৰা বুলিও অভিযোগ কৰে। তেওঁ কয় যে তেওঁক ব্লেকমেইল কৰিব বিচৰা হৈছে, কিন্তু তেওঁ কেতিয়াও ব্লেকমেইল নহয়। শৃংখল চলিহাক 'গুণ্ডা' বুলি অভিহিত কৰি ব্যক্তিগত বিষয় এটা শ্বেয়াৰ কৰি ব্লেকমেইল কৰিব বিচৰা বুলিও অভিযোগ কৰে ভিক্টৰ দাসে। ইফালে, বীৰ লাচিত সেনাৰ দাবী অনুসৰি, পূৰ্বে ভিক্টৰ দাসে একাধিকবাৰ বীৰ লাচিত সেনাত যোগদান কৰিবলৈ চেষ্টা কৰিছিল। সংগঠনটোৰ মুখপাত্ৰ হিচাপে কাম কৰাৰ প্ৰস্তাৱ দিছিল ভিক্টৰে। কিন্তু তেওঁৰ এই প্ৰস্তাৱ বাৰে বাৰে খাৰিজ কৰিছিল শৃংখল চলিহা আৰু বীৰ লাচিত সেনাই। শৃংখল চলিহাই ভিক্টৰ দাসক অনুশাসনহীন আৰু অযোগ্য বুলি গণ্য কৰি তেওঁৰ নম্বৰ পৰ্যন্ত ব্লক কৰিছিল। ইয়াৰ পিছতে বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহা আৰু ভিক্টৰ দাসৰ মাজৰ সংঘাত তীব্ৰ হৈ পৰে আৰু ভিক্টৰে ছচিয়েল মিডিয়াত শৃংখল চলিহাক লৈ অশ্লীল মন্তব্য আৰু গালি-গালাজ কৰিবলৈ আৰম্ভ কৰে। পৰৱৰ্তী সময়ৰ ভাইৰেল হোৱা এটা ভিডিঅ’ত ভিক্টৰ দাসে শৃংখল চলিহাক ‘পেঞ্চিল’ বুলি অভিহিত কৰি অপমান কৰা আৰু ৰাজহুৱাভাৱে মোকাবিলাৰ বাবেও প্ৰত্যাহ্বান জনোৱা দেখা গৈছে। এই ঘটনাৰ মাজতে ১ জুনত মহিলাগৰাকীক প্ৰহাৰ কৰা ভিডিঅ’ ভাইৰেল হৈ পৰে। খোদ শৃংখল চলিহাই ভিক্টৰ দাসৰ এই ভিডিঅ’ শ্বেয়াৰ কৰি সামাজিক মাধ্যমত উদঙাই দিয়ে ভিক্টৰৰ প্ৰকৃত চৰিত্ৰ। সমান্তৰালভাৱে দিছপুৰ থানাত ভিক্টৰৰ বিৰুদ্ধে এজাহাৰো দাখিল কৰে বীৰ লাচিত সেনাই। সংগঠনটোৰ নেতা বিকাশ অসমে কয়, "ভিক্টৰ দাসে শৃংখল চলিহাৰ পিতৃ-মাতৃক লৈও শেহতীয়াকৈ অশালীন ভাষাৰে গালি-গালাজ কৰিছিল। এতিয়া তেওঁ লক্ষ্মণ ৰেখা পাৰ কৰিছে। ভিক্টৰক সম্পদ হিচাপে সলনি কৰিবলৈ আমি বহু চেষ্টা কৰিছিলো। কিন্তু তেওঁ কেৱল টিআৰপিৰ পিছতহে দৌৰি ফুৰে। গতিকে এতিয়া আৰু উপায় নাই। তেওঁ এগৰাকী যুৱতীৰ ওপৰত যিধৰণে অত্যাচাৰ চলাইছে, তাৰ তদন্ত হোৱা উচিত আৰু শাস্তি পোৱা উচিত।" ইয়াৰ পূৰ্বেও উচটনিমূলক মন্তব্য আৰু আইন-শৃংখলা উলংঘা কৰাৰ অভিযোগত গ্ৰেপ্তাৰ হৈ কাৰাবাস খাটিবলগীয়া হৈছিল ভিক্টৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰুষ্ট প্ৰকৃতি! উত্তৰ-পূবত বান

অসম, মেঘালয়, মিজোৰাম, অৰুণাচল প্ৰদেশৰ দৰে উত্তৰ-পূবৰ ৰাজ্যসমূহত। ধাৰাসাৰ বৰষুণৰ ফলত উত্তৰ-পূবৰ ৰাজ্যসমূহত সৃষ্টি হোৱা প্ৰাকৃতিক দুৰ্যোগত যোৱা ২৪ ঘন্টাত কমেও ৩২ জন লোকে প্ৰাণ হেৰুৱাইছে। উত্তৰ বাংলাদেশ আৰু কাষৰীয়া মেঘালয়ৰ ওপৰত নিম্ন চাপৰ অঞ্চলৰ ফলত হোৱা এই চৰম বৰষুণৰ ফলত অঞ্চলটোত ব্যাপক বানপানী, ভূমিস্খলন, বোকা খহনীয়াৰ সৃষ্টি হৈছে। অৰুণাচল প্ৰদেশ আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত ৰাজ্যসমূহৰ ভিতৰত অন্যতম। পূব কামেং জিলাৰ বানা আৰু চেপ্পাৰ মাজৰ ১৩ নং ৰাষ্ট্ৰীয় ঘাইপথত ভূমিস্খলনৰ ফলত এখন বাহন দ খাৰৈত বাগৰি পৰাত দুটা পৰিয়ালৰ সাতজন সদস্যৰ মৃত্যু হয়। তদুপৰি নামণি সুবনশিৰি জিলাৰ কবি পামৰ সমীপত ভূমিস্খলনে পুতি থোৱাৰ ফলত দুজন শ্ৰমিক নিহত হয়। চৰকাৰী নীতি অনুসৰি ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালক ৪ লাখ টকা ক্ষতিপূৰণ দিয়াৰ কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে। ৰাজ্যৰ গৃহমন্ত্ৰী মামা নাটুঙে গভীৰ শোক প্ৰকাশ কৰি সকলোকে বাৰিষাৰ সময়ত ৰাতি ভ্ৰমণৰ পৰা বিৰত থাকিবলৈ সকীয়াই দিছে। বিগত ২৪ ঘন্টাত মেঘালয়ত ভূমিস্খলন, বান পৰিস্থিতি আৰু বজ্ৰপাতৰ ফলত ৭ জন লোকৰ মৃত্যু হৈছে। পৃথিৱীৰ অন্যতম আৰ্দ্ৰ স্থান চেৰাপুঞ্জী আৰু মাউচিনৰামত এদিনতে ৪৭ চেন্টিমিটাৰ বৰষুণ হোৱাৰ তথ্যই আৰু অধিক জটিল কৰি তুলিছে পৰিস্থিতি। নাগালেণ্ডৰ চিমাউকেডিমা জিলাৰ ৰাষ্ট্ৰীয় ঘাইপথ-২৯ত ডাম্পাৰ গাড়ীত শিল খহি পৰি এজন লোকৰ মৃত্যু হয়। বৃহস্পতিবাৰৰ পৰাই দি থকা ধাৰাসাৰ বৰষুণৰ ফলত মিজোৰামত ভূমিস্খলন আৰু ঘৰ ভাঙি কমেও ৬ জন লোকৰ মৃত্যু হৈছে। শনিবাৰৰ দিনটোতে ম্যানমাৰৰ তিনিজন শৰণাৰ্থীকে ধৰি চাৰিজন লোকৰ মৃত্যু হয়। পূব মিজোৰামৰ চম্পাই জিলাৰ ভাফাই গাঁৱত শনিবাৰে সংঘটিত হোৱা ব্যাপক ভূমিস্খলনত একেটা ম্যানমাৰ পৰিয়ালৰ তিনিজন সদস্যৰ মৃত্যু হোৱা বুলি বিষয়াসকলে জানিবলৈ দিয়ে। একে দিনাই চেৰচিকি জিলাত ভূমিস্খলনত এটা ঘৰ সম্পূৰ্ণৰূপে জাহ যোৱাত মৃত্যু হয় ৫৩ বছৰীয়া এজন ব্যক্তিৰ। ইয়াৰ পূৰ্বে শুকুৰবাৰে আইজলৰ থুয়ামপুই অঞ্চলত এখন দেৱাল ভাঙি প্ৰাণ হেৰুৱাইছিল এজন ৩৭ বছৰীয়া যুৱকে। আইজলৰ সমীপৰ ছাইৰাঙৰ দৰে নিম্নভূমিৰ গাঁওসমূহত তালাওং নদীয়ে সৃষ্টি কৰা বান পৰিস্থিতিৰ বাবে স্থানীয় বাসিন্দাসকলক সুৰক্ষিত স্থানলৈ স্থানান্তৰ কৰা হয়। দক্ষিণ মিজোৰামৰ লুংলেই জিলাৰ তালাবুং চহৰৰ কৰ্ণফুলি নদীৰ পাৰৰ পৰিয়ালসমূহক সুৰক্ষিত স্থানলৈ স্থানান্তৰিত কৰাৰ প্ৰস্তুতিও অব্যাহত আছে। বৰ্তমান সময়ত মণিপুৰৰ বান পৰিস্থিতিও উদ্বেগজনক। তাতে বিপদসীমাৰ ওপৰেৰে বৈ গৈছে ইৰিল আৰু নামবুল নদীৰ পানী। ইম্ফল নদীৰ জলাশয় এলেকা কাংপকপিত তিনিদিনত ১৭৫ মিলিমিটাৰ বৰষুণ হোৱা বুলি জানিব পৰা গৈছে। ইম্ফল নদী বাঢ়নী পানীয়ে ঠায়ে ঠায়ে সংঘটিত কৰিছে খহনীয়াৰ। ইফালে, অসমতো পৰিস্থিতিয়ে ভয়াবহ ৰূপ ধাৰণ কৰিছে। উল্লেখ্য যে, অসমত এতিয়ালৈকে বান আৰু ভূমিস্খলন পৰিস্থিতিত মৃত্যুক সাৱটিছে ৯ জনকৈ লোকে। গুৱাহাটী আৰু তেজপুৰত মে’ মাহত অভিলেখ সৃষ্টি কৰিছে বৰষুণৰ পৰিমাণে। ৰাজ্যৰ ১২খন জিলাৰ ৬০ হাজাৰৰো অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। ভাৰতৰ বতৰ বিজ্ঞান বিভাগে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন অঞ্চলৰ বাবে ৰেড আৰু অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। যদিও আগন্তুক ২৪ ঘন্টাত বৰষুণৰ তীব্ৰতা হ্ৰাস পোৱাৰ আগজাননী দিয়া হৈছে, তথাপিও বাসিন্দাসকলক হাই এলাৰ্টত থাকিবলৈ কোৱা হৈছে। এনেদৰে এতিয়া সমগ্ৰ উত্তৰ-পূবত বান দেখা গৈছে।

# ডুমডুমা-বৰহাপজানত বিশ্ব ধঁপাত বিৰোধী দিৱস পালন

**ই-সংবাদ ব্যুৰ’, তিনিচুকীয়া, ১ জুন:** সমগ্ৰ বিশ্বৰ লগতে তিনিচুকীয়া জিলাতো বিশ্ব ধঁপাতবিৰোধী দিৱস পালন কৰা হয়। বিশ্ব ধঁপাতবিৰোধী দিৱসৰ লগত সংগতি ৰাখি চাহ নগৰী ডুমডুমাৰ ছেইন্ট মেৰীজ হায়াৰ চেকেণ্ডেৰী স্কুলত এখন পোষ্টাৰ অংকন প্ৰতিযোগিতা আৰু প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বিদ্যালয়খনৰ ভাৰত স্কাউটছ এণ্ড গাইডছ গোটৰ সদস্যসকলে ধুমপানৰ কু-প্ৰভাৱক প্ৰতিফলিত কৰি বিভিন্ন পোষ্টাৰ প্ৰস্তুত কৰি প্ৰদৰ্শন কৰে। অনুষ্ঠানত বিদ্যালয়খনৰ অধ্যক্ষা ছিষ্টাৰ মাৰ্থা টেলেনে এই বছৰৰ বিশ্ব ধঁপাতবিৰোধী দিৱসৰ মূল বিষয়ৰ ওপৰত আলোকপাত কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ বাবেই আজি মই এপিচিচিৰ

তিতাবৰ, গেলেকী, নাজিৰা আদি অঞ্চলত কংগ্ৰেছ দলৰ সমৰ্থক-শুভাকাংক্ষীৰ পৰা শুভেচ্ছা গ্ৰহণ কৰি শিৱসাগৰ আৱৰ্ত ভৱনত নৈশ যাপন কৰে সভাপতি গগৈয়ে। আজি পুৱা সভাপতিগৰাকীয়ে শিৱসাগৰ সমাজ জীৱনৰ বয়োজ্যেষ্ঠ লোকসকলৰ সৈতে আৱৰ্ত ভৱনত মত বিনিময় কৰি তেঁওলোকৰ পৰা আশীৰ্বাদ গ্ৰহণ কৰাৰ লগতে উপদেশ গ্ৰহণ কৰে। সভাপতি গৌৰৱ গগৈয়ে শিৱসাগৰ পুখুৰীৰ পাৰত থকা স্বাধীনতা সংগ্ৰামৰ প্ৰথমগৰাকী শ্বহীদ পিয়লি ফুকনৰ প্ৰতিমূৰ্তিত মাল্যাপৰ্ণ কৰি মৈদাম তৰ্পণো সম্পন্ন কৰে। আনহাতে শিৱসাগৰ নগৰৰ ঐতিহাসিক শিৱ দ'লত উপস্থিত হৈ যোৰহাট লোকসভা সমষ্টিৰ সাংসদগৰাকীয়ে ভোলানাথৰ আশীৰ্বাদ লৈ শিৱসাগৰ নগৰত বাহিৰ কৰা এক শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। গৌৰৱ গগৈক অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰূপে লাভ কৰি কংগ্ৰেছ দলৰ সমৰ্থক-শুভাকাংক্ষীসকল উৎফুল্লিত হৈ পৰা দেখা যায়। আজিৰ গৌৰৱ গগৈৰ অনুষ্ঠানত বিগত বহু বছৰে কংগ্ৰেছ দলৰ সভা-সমিতিত ভাগ নোলোৱা বহু নেতা-কৰ্মীক অংশ লোৱা দেখা যায়। প্ৰায় দুই সহস্ৰাধিক সমৰ্থক-শুভাকাংশীয়ে অংশগ্ৰহণ কৰা সমদলত 'গৌৰৱ গগৈ জিন্দাবাদ', 'কংগ্ৰেছ পাৰ্টি জিন্দাবাদ' আদি ধ্বনি দি নেতাগৰাকীক আদৰণি জনোৱাৰ লগতে সমৰ্থকৰ দ্বাৰা উৎসাহিত কৰা পৰিলক্ষিত হয়। যুৱৰ পৰা প্ৰৌঢ়লৈকে অংশ লোৱা আজিৰ আদৰণি অনুষ্ঠানত গৌৰৱ গগৈৰ নেতৃত্বই দলটোক শক্তিশালী কৰাৰ লগতে তৃণমূল কৰ্মী-সমৰ্থকসকলৰ মাজত এই প্ৰাণ সঞ্চাৰ কৰা বুলি বিভিন্ন জনে মন্তব্য কৰে। বয়োজ্যেষ্ঠসকলে গৌৰৱ গগৈৰ নেতৃত্বত দলটোৱে গতি লাভ কৰিব বুলি উল্লেখ কৰি বিৰোধী দলসমূহক একত্ৰিত কৰি আগবাঢ়ি যাবলৈ নৱ-নিযুক্ত সভাপতিগৰাকীক আহবান কৰে। আজিৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তথা অসম জাতীয় কংগ্ৰেছ দলৰ সভাপতি গৌৰৱ গগৈয়ে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে প্ৰায় দুই-তিনি বছৰ হিমন্ত বিশ্ব শৰ্মাই মোৰ পাছত পৰি বহুল প্ৰচাৰ নিদিয়া হ'লে মোক কংগ্ৰেছ দলৰ কেন্দ্ৰীয় নেতৃত্বই অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব নিদিলেহেতেঁন। তেওঁ লগতে কয়, "সমষ্টি পুনৰ নিৰ্ধাৰণ কৰি মোৰ কলিয়াবৰ সমষ্টি কৰ্তন, যোৰহাট লোকসভা সমষ্টিৰ নিৰ্বাচনত মোক লৈ কৰা প্ৰচাৰ, এতিয়া পাকিস্তানক লৈ অপপ্ৰচাৰ ইত্যাদিবোৰৰ বাবে মোক ৰাষ্ট্ৰীয় নেতৃত্বই এই দায়িত্ব প্ৰদান কৰিলে।" মুখ্যমন্ত্ৰীৰ এনে ভুৱা চিনেমাৰ বাবে আজি মই এই পদ পাইছো বুলি কটাক্ষ কৰে গগৈয়ে। তেওঁলৈ মোৰ আন্তৰিক মৰম, শুভকামনা আৰু কৃতজ্ঞতা প্ৰদান কৰিছো বুলি গৌৰৱ গগৈয়ে সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে। আনহাতে গৌৰৱ গগৈৰ নেতৃত্বত আগন্তুক দিনত কংগ্ৰেছ দলৰ নীতি-পৰিকল্পনা-কাৰ্যপন্থা কি হ'ব বুলি সোধা সাংবাদিকৰ প্ৰশ্নত সভাপতি গৰাকীয়ে কয় যে বিগত পঞ্চায়ত নিৰ্বাচনৰ বিফলতাৰ পৰা আমাৰ পৰ্যালোচনা কৰিব লগা বিষয় বহু আছে। ইয়াৰ লগতে আগন্তুক বিধান সভা নিৰ্বাচনৰ বাবে দলটোক কেনেকৈ তৈয়াৰ কৰিব পাৰি ইত্যাদি বিষয়ক লৈ আমি এক উচ্চস্তৰীয় বৈঠক আহ্বান কৰি পুংখানুপুংখ আলোচনা কৰি যথাযথ ৰণকৌশল তৈয়াৰ কৰিম। এই সিদ্ধান্তসমূহ সময়ত ৰাইজৰ মাজলৈ আনিব বুলিও তেওঁ উল্লেখ কৰে। আনহাতে বিৰোধী ঐক্যমঞ্চৰ প্ৰসংগত সভাপতি গগৈয়ে উল্লেখ কৰি কয় যে বিৰোধী ঐক্যমঞ্চৰ বাবে আমাৰ লগতে বাকী বিৰোধী দলসমূহেও পৰ্যালোচনা কৰি আছে।বিৰোধী ঐক্যমঞ্চৰ এক ডাঙৰ শক্তি কংগ্ৰেছ দল। সেয়েহে কংগ্ৰেছ দলে নিজৰ ভিতৰত থকা দুৰ্বলতা, পঞ্চায়ত নিৰ্বাচনৰ পৰা পোৱা শিক্ষা আদিবোৰ পৰ্যালোচনা কৰি নিজৰ দলৰ ভেটি মজবুত কৰাৰ পাছত ঐক্যমঞ্চৰ প্ৰতি আগবাঢ়ি যাব। কিন্তু তেওঁ এই বিৰোধী ঐক্য দৰকাৰী বুলিও উল্লেখ কৰে। সেইদৰে যোৰহাট লোকসভা নিৰ্বাচনত জয় লাভ কৰাৰ পাছত যোৱা এটা বছৰে তেওঁ গণ-বিচ্ছিন্ন হৈ আছে বুলি ৰাইজৰ পৰা অহা অভিযোগকো তেওঁ স্বীকাৰ কৰে। তেওঁ কয় যে ৰাইজৰ অভাৱ-অভিযোগক লৈ প্ৰাথমিক গুৰুত্ব প্ৰদান কৰা কৰ্তব্য। কিন্তু ৰাষ্ট্ৰীয় স্তৰত তেওঁৰ ব্যস্ততাৰ বাবে ভবা ধৰণে ৰাইজক সময় তেওঁ সময় দিব পৰা নাই বুলিও উল্লেখ কৰি কয় যে যাৰ বাবে এতিয়া প্ৰদেশ কংগ্ৰেছৰ সভাপতি হোৱাৰ পাছত ৰাষ্ট্ৰীয় স্তৰৰ কামৰ পৰা কিছু ৰেহাই দিবলৈ তেওঁ কেন্দ্ৰীয় শীৰ্ষ মহলক অনুৰোধ জনোৱা বুলিও আজি সদৰী কৰে। আজিৰ আদৰণি আৰু গণ সংযোগ অনুষ্ঠানত গৌৰৱ গগৈৰ সৈতে অংশগ্ৰহণ কৰি নাজিৰা সমষ্টিৰ বিধায়ক তথা অসম বিধান সভাৰ বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়াই বিগত দিনত কংগ্ৰেছ দলক নেতৃত্ব প্ৰদান কৰা ভূপেন বৰাক তেওঁৰ পৰিশ্ৰমৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। আনহাতে নতুন সভাপতিৰ নেতৃত্বত দলে এক নতুন গতি লাভ কৰা বুলি তেওঁ উল্লেখ কৰি কয় যে গৌৰৱ গগৈৰ সভাপতিত্বত দলটোৱে সকলো লোকক সামৰি এক বৃহৎ বিৰোধী শক্তি গঢ়ি তুলিব বুলি তেওঁ আশাবাদী। আনহাতে গৌৰৱ গগৈক নেতৃত্ব প্ৰদান কৰাৰ পাছতে কংগ্ৰেছ দলৰ ভিতৰ মহলত কিবা অসন্তুষ্টিৰ সৃষ্টি হৈছে নেকি বুলি সোধা প্ৰশ্নৰ উত্তৰত তেওঁ এনে কোনো পৰিস্থিতিৰ সৃষ্টি হোৱা নাই বুলিও সদৰী কৰে। আনহাতে ববিতা শৰ্মাৰ পদত্যাগ প্ৰাথমিক সদস্য পদৰ পৰা নহ'য়, বৰঞ্চ তেওঁৰ ব্যক্তিগত ব্যস্ততাৰ বাবে দায়িত্বৰ পৰা আজৰি লৈছে বুলি দেৱব্ৰত শইকীয়াই সদৰী কৰে। আজিৰ অনুষ্ঠানত অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ কাৰ্যকৰী সভাপত ৰ'জলীনা তিৰ্কি তথা প্ৰদীপ সৰকাৰ, উপসভাপতি প্ৰণতি ফুকন আৰু বালিকা পেগু, প্ৰাক্তন মন্ত্ৰী ৰাজু চাহুকে ধৰি অসম প্ৰদেশ কংগ্ৰেছৰ বহু নেতাৰ লগতে শিৱসাগৰ জিলা কংগ্ৰেছৰ সভাপতি মঞ্জীৰ গগৈ তথা আন নেতৃবৰ্গই অংশগ্ৰহণ কৰে। শিৱসাগৰৰ আজিৰ অনুষ্ঠানৰ পাছত সভাপতি গৌৰৱ গগৈয়ে ভটিয়াপাৰ, আমগুৰি, জাঁজী আদি বিভিন্ন ঠাইত ৰাইজৰ পৰা আদৰণি-শুভেচ্ছা গ্ৰহণ কৰি নগাওঁলৈ যাত্ৰা কৰে। যাত্ৰাপথত তেওঁ কেবাস্থানতো ৰাইজৰ আদৰণি গ্ৰহণ কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বান নিয়ন্ত্ৰণত ব্যৰ্থ হিমন্ত চৰকাৰ!

কৰিবলৈ উঠি পৰি লাগিছে বিধায়কগৰাকী। দেওবাৰে জিলাখনৰ বান পৰিস্থিতি সম্পৰ্কে সাংবাদিকৰ বৰ্ণনা কৰে বিধায়ক গৰাকীয়ে। তেওঁ কয়, 'আজি পুৱা ৬.৩০ বজাত শিৱসাগৰত এটা ডাঙৰ ঘটনা ঘটিছে। ব্ৰহ্মপুত্ৰৰ ওপৰত থকা শ্লুইছ গেট এখন ভাঙি পানী সোমাই আহিছে। মই জলসম্পদ বিভাগৰ মুখ্য অভিযন্তাৰ লগত কথা পাতিছোঁ আৰু বিভাগীয় মন্ত্ৰীকো পৰিস্থিতিৰ ভিডিঅ' প্ৰেৰণ কৰিছো। আমাৰ দলৰ কৰ্মকতা সকল ঘটনাস্থলীত উপস্থিত হৈছে। মই অ এন জিচিৰ পৰা এখন ফ'কলেণ্ড পঠিয়াই দিছোঁ যাতে ভগা গেটখনৰ সমুখত বান্ধ দি তাত গেটখন পুনৰ বহুৱাই দিব পাৰে।" ইয়াৰ পিছতে চৰকাৰক সমালোচনাৰে থকা-সৰকা কৰি অখিল গগৈয়ে কয়, "চৰকাৰক এই বিষয়টো সম্পৰ্কে মই এহেজাৰবাৰ মান কৈছিলোঁ, মন্ত্ৰীক মই সেই মথাউৰি দেখুৱাবলৈ লৈ গৈছিলোঁ। তাৰপিছতো তাত কাম কৰা নাই। আৰু কিবা এটা ঘটনা ঘটিলে মই নিজেই মন্ত্ৰীৰ ঘৰ ওলামগৈ। মন্ত্ৰী বিভাগক অনুৰোধ জনাইছোঁ যাতে এই ঘটনাৰ দায়িত্ব গ্ৰহণ কৰে। মই নিজেই বিষয়টো সম্পৰ্কত কাম কৰি আছো যদিও জল সম্পদ বিভাগে দায়িত্ব নল'লে মই বিধায়ক এজনে অকলে একো কৰিব নোৱাৰো।" লগতে গুৱাহাটীৰ বান সম্পৰ্কত গগৈয়ে কয়, "গুৱাহাটীত অভাৱব্ৰীজ বনাবলৈ চৰকাৰে যিমান হাজাৰ কোটি টকা খৰচ কৰিলে তাতকে কম পৰিমাণৰ টকাও যদি এই বান নিয়ন্ত্ৰণত খৰচ কৰিলেহেতেঁন তেন্তে ইমানদিনে আমি গুৱাহাটীৰ মানুহবিলাক বানৰ পৰা মুক্ত হ'লোহেঁতেন। গুৱাহাটীত হোৱা বানৰ বাবে তেওঁলোক ইউএছটিএমৰ পৰা পানী আহিছে বুলি অজুহাত দেখুৱাই। কিন্তু এয়া ওপৰৰ পৰা অহা পানী, এই পানী আগতেও আহিছিল। এইটো কোনেও তৈয়াৰ কৰি দিয়া পানী নহয়। পাহাৰৰ পানীটো আহি এটা ঠাইত পৰেহি। কিন্তু পানীখিনি ড্ৰেইনেৰে ব্ৰহ্মপুত্ৰলৈ বোৱাই নিয়াৰ ব্যৱস্থা নকৰে। অভাৰব্ৰীজ বনাই হিমন্ত বিশ্ব শৰ্মা আধুনিক গুৱাহাটীৰ কাৰিকৰ হ'ব নোৱাৰে।" লগতে অখিল গগৈয়ে কয় যে বান আচল সময়তো অহাই নাই। জেঠ মাহতে হোৱা প্ৰথম বানৰ লগতেই চৰকাৰে মোকাবিলা কৰিবলৈ সক্ষম হোৱা নাই। বান সমস্যা সমাধান কৰিবলৈ সক্ষম নোহোৱা চৰকাৰখনক তীব্ৰ ভাষাৰে গৰিহণা দি উচিত ক্ষতিপূৰণ আৰু সাহায্যৰ দাবী কৰিছে বিধায়কগৰাকীয়ে। আনক দোষ দিয়াতকৈ সমস্যা সমাধানত গুৰুত্ব দিবলৈকো আহ্বান জনায় বিধায়কগৰাকীয়ে।

## প্ৰথম পৃষ্ঠাৰ পৰা... শিৱসাগৰৰ মামল গড়ভগাত ভাগিল শ্লুইচ

নদী সমূহৰ উপৰিও মহাবাহু ব্ৰহ্মপুত্ৰৰ জলস্তৰ যথেষ্ট বৃদ্ধি পাইছে। শিৱসাগৰত বৰলুইতৰ জলস্তৰে বিপদ সীমা স্পৰ্শ কৰাকলৈ নৈপৰীয়া ৰাইজ উদ্বিগ্ন হৈ পৰাৰ সময়তে আজি পুৱা ৬ বজাত দিচাংমুখৰ মামল গড়ভাগাস্থিত ব্ৰহ্মপুত্ৰৰ শ্লুইচ গেট খন ভাগি পৰে। ফলত ব্ৰহ্মপুত্ৰৰ পানীৰ ঢল বৈছে কোঁৱৰপুৰ মৌজাৰলৈ। হঠাৎ অতি তীব্ৰ বেগত নদীৰ পানীৰ ঢল বৈ যোৱাত শংকিত হৈ পৰিছে স্থানীয় ৰাইজ। শ্লুইচ গেটখনেৰে অহৰহ পানী বৈ থকাত কোঁৱৰপুৰ মৌজাৰ বিস্তৃৰ্ণ এলেকাৰ কৃষি ভূমি হঠাৎ বুৰাই পেলোৱা পৰিলক্ষিত হৈছে। এনেদৰেই এক-দুই দিন শ্লুইচ গেটেৰে পানী গৈ থাকিলে মৌজাটোৰ অৰ্ধশতাধিক গাঁৱৰ কেইবা শতাধিক পৰিয়ালৰ ঘৰ বাৰী প্লাৱিত হোৱাটো নিশ্চিত হৈ পৰিছে। ব্ৰহ্মপুত্ৰৰ জলস্তৰ যিমানেই বৃদ্ধি পাব সিমানেই শ্লুইচ গেটেৰে জনবসতিপূৰ্ণ অঞ্চললৈ পানী বৈ যাব বুলি উদ্বিগ্নতা প্ৰকাশ কৰিছে ৰাইজে। লক্ষ্যণীয় যে শ্লুইচ গেট খন মামলগড়ভগাত স্থাপন কৰা বহু বছৰ হ'ল। পুৰণি এই শ্লুইছ গেটখন সঠিকভাৱে মেৰামতি অথবা নতুনকৈ স্থাপনৰ বাবে বিভিন্ন সময়ত দাবী উত্থাপন কৰি আহিছিল ৰাইজে। কিন্তু ইয়াৰ পিছতো কোনো গুৰুত্ব দিয়া নাছিল। যাৰ বাবেই ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীৰ হেঁচা তথা ভৰ সহিব নোৱাৰি ভাগি গ'ল। ইফালে শ্লুইচ গেট ভাগি পৰাৰ খবৰ পাই শিৱসাগৰ জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা দীনেশ বুঢ়াগোঁহাইৰ নেতৃত্বত বিভাগীয় এটি দল আৰু বিধায়ক অখিল গগৈৰ নিৰ্দেশনা মতে দলীয় কৰ্মীসকলে শ্লুইচ গেটখন বন্ধ কৰাৰ বাবে ক্ৰেং লগাই, মাটি-বালিৰ বস্তা দি চেষ্টা কৰিছিল যদিও বিফল হয়। বাতৰি লিখা পৰলৈকে অহৰহ লুইতৰ পানীৰ ঢল বৈ আছে কোঁৱৰপুৰ মৌজালৈ। দুই-এদিনৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ জলস্তৰ গড়াৰ পৰাৰ তললৈ নিম্নগামী যদি নহয় আৰু শ্লুইচ গেট বন্ধ কৰিব নোৱাৰে তেন্তে শিৱসাগৰ চহৰৰ প্ৰতিও ভাবুকি নামি আহিব বুলি স্থানীয় লোকে শংকা প্ৰকাশ কৰিছে। অন্যহাতে ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে দিচাংমুখৰ টিয়হ বস্তী, মামল গড়ভগা, গটঙা, অফলা, মাজৰবাৰী আদিত বহু সংখ্যক বিদ্যালয়, ধৰ্মীয় অনুষ্ঠান, ৰবি শস্য প্লাবিত কৰিছে। নদীৰ চাপৰি সমূহো বানত ডুব গৈছে। ইয়াৰ পাৰিপেক্ষিতত পশু খাদ্যৰ অভাৱে দেখা দিছে। ইয়াৰ উপৰিও ব্ৰহ্মপুত্ৰৰ পানীয়ে বিপদ সীমা স্পৰ্শ কৰাত দিচাংমুখ টেকেলীফুটা ফেৰী ঘাট আৰু দিচাংমুখ মাটমৰা ফেৰী ঘাট বন্ধ কৰি ফেৰী সেৱা সাময়িকভাৱে বন্ধ ৰাখিছে। জিলা প্ৰশাসনৰ নিৰ্দেশনা অনুসৰিয়েই আভ্যন্তৰীণ জল পৰিবহণ বিভাগে বন্ধ কৰিলে ফেৰী সেৱা। জলস্তৰ হ্ৰাস নোহোৱালৈকে তথা প্ৰশাসনৰ পৰা পুনৰ জাননী নোপোৱালৈকে বন্ধ ৰাখিব ফেৰী সেৱা।

# ধুবুৰীক লৈ শৃংখলে কৰা মন্তব্যক লৈ দল-সংগঠনৰ প্ৰতিক্ৰিয়া

**ই-সংবাদ, তামাৰহাট, ১ জুন:** বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাই ধুবুৰী জিলাত এজনো খিলঞ্জীয়া মানুহ নাই কেৱল মিঞা আৰু বঙালী মানুহহে আছে, গতিকে ধুবুৰীত জনজাতিকৰণ কৰিলে মিঞা আৰু বঙালীকহে জনজাতিকৰণ কৰিব লাগিব বুলি কৰা মন্তব্যক লৈ জাঙুৰ খাই উঠিছে নামনি অসমৰ ধুবুৰী জিলাৰ বিভিন্ন ব্যক্তি তথা দল-সংগঠন। শৃংখল চলিহাৰ উক্ত বক্তব্যত নামনি অসমৰ বিভিন্ন দল-সংগঠনৰ লগতে অসমৰ অন্যতম ভূমিপুত্ৰ কোচ- ৰাজবংশী জনগোষ্ঠীৰ জাতীয় সংগঠন কোচ-ৰাজবংশী সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মনে আজি এক প্ৰেছ বিজ্ঞপ্তিযোগে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। প্ৰেছ বিজ্ঞপ্তিত কোচ-ৰাজবংশী সাহিত্য সভাৰ সাধাৰণ সম্পাদকগৰাকীয়ে কয় যে শৃংখল চলিহাই ধুবুৰীৰ ইতিহাস সম্পৰ্কে একো নাজানে। ধুবুৰী জিলাত কেৱল মিঞা আৰু বঙালীয়ে নাথাকে। ধুবুৰী কোচ-ৰাজবংশী জনগোষ্ঠীৰ পুৰণি বাসস্থান। নামনি অসমৰ অবিভক্ত গোৱালপাৰা জিলা কমতাপুৰ ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। কমতাপুৰ ৰাজ্যৰ ৰজা নৰনাৰায়ণ আৰু সেনাপতি বিশ্ব মহাবীৰ চিলাৰায় কোচ-ৰাজবংশী জনগোষ্ঠীৰ পূৰ্বপুৰুষ আছিল। ধুবুৰী জিলাৰ অন্যতম খিলঞ্জীয়া জনগোষ্ঠী কোচ-ৰাজবংশী জনগোষ্ঠীৰ বিভিন্ন দল-সংগঠনে দীৰ্ঘদিনৰ পৰাই জনজাতিকৰণ আৰু কমতাপুৰ ৰাজ্য পুনৰ গঠনৰ বাবে আন্দোলন চলাই আহিছে। ফলস্বৰূপে অসম চৰকাৰে কোচ-ৰাজবংশী জনগোষ্ঠীৰ আত্মনিয়ন্ত্ৰণৰ বাবে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ গঠন কৰি কোচ-ৰাজবংশীৰ উন্নয়নমূলক আঁচনিসমূহ ৰূপায়ণৰ উদ্দেশ্যে অন্তৰ্বৰ্তীকালীন পৰিষদ গঠন কৰিছিল। ধুবুৰী জিলাৰ ইতিহাস সম্পৰ্কে অকনো জ্ঞান নথকা শৃংখল চলিহাই ধুবুৰীৰ বিষয়ে কৰা মন্তব্য অতি দুৰ্ভাগ্যজনক। শৃংখল চলিহাৰ উক্ত মন্তব্যক তীব্ৰ ভাষাৰে ধিক্কাৰ দিয়াৰ লগতে ভৱিষ্যতে তেনে মন্তব্যৰপৰা বিৰত থাকিবলৈ শৃংখল চলিহাক সকীয়াই দিয়ে কোচ-ৰাজবংশী সাহিত্য সভাৰ সাধাৰণ সম্পাদকগৰাকীয়ে। উল্লেখ্য যে ধুবুৰী জিলাত কোচ-ৰাজবংশীসকলৰ উপৰি নাথ-যোগী, কলিতা, ব্ৰাহ্মণ, দেশী, গৰিয়া, মৰিয়া, জলহা আদি বিভিন্ন জনগোষ্ঠীয় লোকে শান্তিৰে বসবাস কৰি আছে বুলি একেখন প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰিছে কমল কুমাৰ বৰ্মনে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।


## তিনিচুকীয়া জিলা ভিত্তিত ঠাইতে লিখা প্ৰাইজমানি গল্প প্ৰতিযোগিতাৰ আয়োজন

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১জুন:** তিনিচুকীয়া জিলা সাহিত্য সভাই স্নাতকপৰ্যন্ত অধ্যয়ন কৰি থকা তিনিচুকীয়া জিলাৰ শিক্ষাৰ্থীসকলৰ বাবে অহা ৬ জুলাইত তিনিচুকীয়া জিলা ভিত্তিত এখনি ঠাইতে লিখা প্ৰাইজমানি গল্প প্ৰতিযোগিতাৰ আয়োজন কৰিছে। তিনিচুকীয়া জিলা সাহিত্য সভাৰ সম্পাদক অৰূপ কুমাৰ চাংমাইয়ে আজি এক প্ৰেছ বিজ্ঞপ্তিযোগে এই কথা জানিবলৈ দিছে। এই অনুসৰি, সেইদিনা মাকুম চহৰৰ শঙ্কৰদেৱ শিশু বিদ্যা নিকেতন প্ৰাঙ্গণত পুৱা ১০ বজাৰ পৰা ১২ বজালৈ দুঘন্টাৰ বাবে উক্ত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগীসকলক কেৱল প্ৰয়োজনীয় কাগজহে যোগান ধৰা হ'ব। ইচ্ছুক শিক্ষাৰ্থীসকলে অহা ৩০ জুনৰ ভিতৰত নিজৰ নাম পঞ্জীয়ন কৰিব লাগিব। যোগাযোগ কৰিবলগীয়া ব্যক্তি আৰু ফোন নম্বৰ হৈছে- জিলা সম্পাদক অৰূপ কুমাৰ চাংমাই- ৯৯৫৪২৭৯৮০৭ আৰু মাকুম শাখাৰ সম্পাদক দিগন্ত দাস- ৮৮২২৪০৭০৬৬। জিলা সাহিত্য সভাৰ উদ্যোগত আৰু মাকুম শাখাৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনিত পুৰস্কাৰসমূহ হৈছে ক্ৰমে- প্ৰথম - ৫ হাজাৰ, দ্বিতীয়- ৩ হাজাৰ, তৃতীয়- ২ হাজাৰ আৰু উদগনিমূলক ৭ গৰাকীৰ বাবে ১ হাজাৰকৈ ৭ হাজাৰ টকা।

## সুদক্ষ ফুটবলাৰ, ধৰ্মপ্ৰাণ ব্যক্তি, ৰে'ল বিভাগৰ অৱসৰী কৰ্মচাৰী ঠগি চন্দ্ৰ বণিয়াক স্মৰণ

**ই-সংবাদ, বেবেজীয়া, ১ জুন:** সদ্যপ্ৰয়াত নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত নিজ হাতীচোং সোনাৰীগাঁও নিবাসী ভাৰতীয় ৰে'ল বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, একালৰ সুদক্ষ ফুটবলাৰ, সৰবৰহী ধৰ্মপ্ৰাণ ব্যক্তি ঠগি চন্দ্ৰ বণিয়াৰ আদ্যশ্ৰাদ্ধ উপলক্ষে শনিবাৰে শ্ৰীমন্ত শংকৰদেৱ সংঘ আৰু চকলাঘাট শাখা সাহিত্যৰ উদ্যোগত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সংঘৰ আইলক্ষ্মী আঞ্চলিকৰ প্ৰাক্তন জিলা সদস্য প্ৰয়াত ঠগি চন্দ্ৰ বণিয়াৰ বাসগৃহ আয়োজিত উক্ত অনুষ্ঠানটোত পৰিয়ালৰ দ্বাৰা প্ৰকাশিত আৰু হিমাশ্ৰী কাকতিৰ সম্পাদিত 'স্মৃতিৰ বাটেৰে' শীৰ্ষক শ্ৰদ্ধাঞ্জলি গ্ৰন্থখনি উন্মোচন কৰাৰ লগতে চকলাঘাট শাখা সাহিত্য সভা আৰু সংঘৰ আইলক্ষ্মী আঞ্চলিকৰ ফালৰ পৰা একোটিকৈ শোকহপ্ৰস্তাৱ প্ৰয়াত ঠগী চন্দ্ৰ বণিয়াৰ সহধৰ্মিনী জয়ন্তী বণিয়া আৰু পৰিয়ালবৰ্গৰ হাতত অৰ্পণ কৰা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত সংঘৰ নগাঁও জিলা শাখাৰ সভাপতি চেনাৰাম ডেকা, সম্পাদক বিপুল শইকীয়া, আইলক্ষ্মী আঞ্চলিক শাখাৰ সভাপতি ফণীন্দ্ৰ কুমাৰ বৰা, সম্পাদক কমল চন্দ্ৰ ডেকা, শৰণ সদস্য উমাকান্ত হাজৰিকা, মূলৰ সদস্য গোবিন চন্দ্ৰ দাস, প্ৰাক্তন মূলৰ সদস্য ৰূদ্ৰ শইকীয়া, হৰিদাস ৰাজকুমাৰ, জিলা সাংস্কৃতিক শাখাৰ সভাপতি অমূল্য বৰুৱা, জিলা সহকাৰী সম্পাদক দিপাংক বৰদলৈ, জিলা সদস্য যজ্ঞসিং পাটৰ, আঞ্চলিকৰ বিষয়ববীয়া নৰেণ চন্দ্ৰ দাস, ললিত মেধিৰ, নগাঁও জিলা সাহিত্য সভাৰ উপদেষ্টা দেৱ কুমাৰ বৰা, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় প্ৰচাৰ কোষৰ সহযোগী আহ্বায়ক কল্যাণ কুমাৰ বৰা, চকলাঘাট শাখা সাহিত্য সভাপতি উৎপল হাজৰিকা, আজীৱন সভ্য ক্ষিতেশ্বৰ বৰা, অশ্বিনী বৰা, পুণ্যপ্ৰভা বনিয়া, নীলকান্ত বনিয়া, আঞ্চলিক শাখাৰ ভকত-বৈষ্ণৱসকল উপস্থিত থাকে।

# দৰং কৰ্কট কেন্দ্ৰৰ উদ্যোগত বিশ্ব ধঁপাত বিৰোধী দিৱস পালন

**ই-সংবাদ, দুনী, ১ জুন:** দৰঙৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত চেঙ্গেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দৰং কৰ্কট কেন্দ্ৰৰ উদ্যোগত বিশ্ব ধঁপাতবিৰোধী দিৱস পালন কৰে। আজি বিশ্ব ধঁপাতবিৰোধী দিৱস উপলক্ষে দৰঙৰ চেঙ্গেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দৰং কৰ্কট কেন্দ্ৰৰ উদ্যোগত আয়োজন কৰে। কাৰ্যসূচীৰ প্ৰথমে চেঙ্গেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী এগৰাকীয়ে এটি গীত পৰিবেশনেৰে সমুহ কাৰ্যসূচী আৰম্ভ হয়। দৰং কৰ্কট কেন্দ্ৰৰ ৰোগী সমন্বয়ক তথা ধঁপাত নিয়ন্ত্ৰকৰ নডেল বিষয়া নিৰঞ্জন শইকীয়াই আঁতধৰা অনুষ্ঠানৰ আদৰণী ভাষণ আগবঢ়াই চেঙ্গেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰতুল চহৰীয়াই। বিশ্ব ধঁপাতবিৰোধী দিৱসৰ উপলক্ষে উপস্থিত থকা দুই শতাধিক ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি ধঁপাতৰপৰা সাৱধান হোৱা, গুটখা, বিড়ী, চিগাৰেট আদি সেৱনৰ পৰা ভয়ানক ৰোগ হোৱাৰ উপৰিও কৰ্কট ৰোগ হোৱাৰ সম্ভাৱনা থকাৰ বিষয়ে অৱগত কৰে। দৰং কৰ্কট কেন্দ্ৰৰ অধীক্ষক ডাঃ চৈয়দ ইফটিখাৰ চোভানীয়ে, ধঁপাত সেৱনৰ পৰা উদ্ভৱ হ'ব পৰা ৰোগৰ বিষয়ে আৰু সাৱধানতা, লক্ষণসমূহৰ বিষয়ে অৱগত কৰে দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক ডাঃ ছহিদুল ইছলামে। উক্ত কাৰ্যসূচীত উপস্থিত থাকে দৰং কৰ্কট কেন্দ্ৰৰ জিলা সমন্বয়ক দীপমনি শৰ্মা, নাৰ্চ জেচমিন আৰা বেগম, নাৰ্চ নয়না শৰ্মা। বিশ্ব ধপাতবিৰোধী দিৱস উপলক্ষে দৰং কৰ্কট কেন্দ্ৰৰ উদ্যোগত ছেঙ্গেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰি পুৰস্কাৰ লাভ কৰা প্ৰতিযোগীসকলৰ মাজৰপৰা তিনিগৰাকীক পুৰস্কাৰ ট্ৰফী আৰু প্ৰমাণ-পত্ৰ প্ৰদান কৰে। চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ এম ডি সাহিম মুৰচিড, দ্বিতীয় ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী ৰৌচানাৰা হাজৰিকা আৰু তৃতীয় ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী ইয়াছমিন চুলতানাই। শেষত ছেঙ্গেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী কৰবী শৰ্মাই শলাগৰ শৰাইৰ আগবঢ়ায়। বিশ্ব ধঁপাতবিৰোধী দিৱস উপলক্ষে আয়োজন কৰা সজাগতা সভাৰ পিছতে ছাত্ৰ-ছাত্ৰী, শিক্ষক কৰ্মচাৰীসকলৰ লগতে দৰং কৰ্কট কেন্দ্ৰৰ একাংশ চিকিৎসক, কৰ্মচাৰীৰ অংশগ্ৰহণেৰে শোভাযাত্ৰা উলিওৱা হয়। ধঁপাতবিৰোধী শ্লোগান সম্বলিত কাৰ্ড হাতত লৈ দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। ইয়াৰ লগতে দৰং কৰ্কট কেন্দ্ৰলৈ অহা ৰোগী, ৰোগীৰ আত্মীয় আৰু দৰং কৰ্কট কেন্দ্ৰৰ একাংশ কৰ্মচাৰীৰ পৰা ধঁপাত জাতীয় সামগ্ৰী সংগ্ৰহ কৰি জ্বলাই দিয়া হয় আৰু দৰং কৰ্কট কেন্দ্ৰত ৰোগী, ৰোগীৰ আত্মীয় আৰু দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক, নাৰ্চ, কৰ্মচাৰীসকলৰ উপস্থিতিত এক সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰে।

# সদৌ কাৰ্বি আংলং জিলা চৰকাৰী গাঁওবুঢ়া সন্থাৰ প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, ফুলনি, ১ জুনঃ** ফুলনি পৰিষদীয় সমষ্টিৰ অন্তৰ্গত লৰিংথেপীৰ বৰছিং ৰংহাং সোঁৱৰণী ষ্টেডিয়াম প্ৰেক্ষাগৃহত শনিবাৰে দিনজোৰা কাৰ্যসূচীৰে সদৌ কাৰ্বি আংলং জিলা চৰকাৰী গাঁওবুঢ়া সন্থাৰ ৩১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, হৰবং আৰনাম কৰাৰ পিছত ১২ মান বজাৰপৰা এখনি মুকলি সভা অনুষ্ঠিত কৰা হয়। উক্ত মুকলি সভাৰ সভাপতিত্ব কৰে সদৌ কাৰ্বি আংলং চৰকাৰী গাঁওবুঢ়া সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰুস্তম ফাংচুৱে আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক দৰছিং তেৰাঙে। সভাৰ মাজতে চৰকাৰী গাঁওবুঢ়া সন্থাৰ তৰফৰপৰা বিভিন্ন সমস্যা সন্দৰ্ভত হাওৰাঘাট বিধানসভা সমষ্টিৰ বিধায়ক দৰছিং ৰংহাঙৰ জৰিয়তে কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙলৈ এখন স্মাৰক-পত্ৰ প্ৰদান কৰাৰ লগতে ল'কিম' নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। আনহাতে, উক্ত সভাত অতিথি হিচাপে উপস্থিত থাকি চৰকাৰী গাঁওবুঢ়াসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে ক্ৰমে বিধায়ক দৰছিং ৰংহাং, কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদৰ ভূমি আৰু কৰ বিভাগৰ সচিব চি ইম তাৰ'ৰ লগতে উপ-সচিব টেনছিং ৰংপিয়ে। আনহাতে, উক্ত সভাত ফুলনি, ডিফু, বোকাজান আৰু ডংকামোকাম চক্ৰ বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত সকলো চৰকাৰী গাঁওবুঢ়া উপস্থিত থাকে। উক্ত প্ৰতিষ্ঠা দিৱসৰ সকলোবোৰ কাৰ্যসূচী পৰিচালনা কৰাত সহায় কৰে পৰিচালনা সমিতিৰ মনিন্দ্ৰ টকবি আৰু সম্পাদক তৰুণ নাৰ্জাৰীয়ে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।


# বাক্সাৰ নিকাছিত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী



**ই-সংবাদ, মুছলপুৰ, ১ জুন:** 'ক্ৰমান্বয়ে জনসংখ্যা কমি আহিছে হিন্দুসকলৰ। শেহতীয়াকৈ প্ৰকাশ পোৱা ভোটাৰ তালিকাত এটা বিশেষ সম্প্ৰদায়ৰ অত্যাধিক ভোটাৰ বৃদ্ধি পোৱাৰ বিপৰীতে আমাৰ হিন্দুসকলৰ সংখ্যা কমিছে। এনেকৈ হ'লে আমি কেনেকৈ জিকিব পাৰিব।' বাক্সা জিলাৰ নিকাছিত অনুষ্ঠিত এখন সভাত অংশ লৈ এই মন্তব্য কৰে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। সভাত ভাষণ প্ৰদান কৰি বিধান সভাৰ অধ্যক্ষগৰাকীয়ে কয় যে পূৰ্বে আমাৰ প্ৰতিটো পৰিয়ালতে অধিক জনসংখ্যা আছিল। কিন্তু এতিয়া লাহে লাহে গাঁৱৰ ঘৰ ৰখিবলৈও মানুহ নোহোৱা হৈছে। গতিকে এজন বা দুজন সন্তান জন্ম দিয়া পৰিয়ালক কোনো চৰকাৰী আঁচনি দিব নালাগে। তেওঁলোকৰ নিজৰ সন্তানক পোহপাল দিয়াৰ সামৰ্থ থাকে। তাৰ বিপৰীতে তিনিজন সন্তান জন্ম দিয়াসকলকহে চৰকাৰী আঁচনিৰে পুৰস্কৃত কৰিব লাগে। সন্তানৰ সংখ্যা যিমানে বৃদ্ধি হয় পুৰস্কাৰৰ সংখ্যাও বৃদ্ধি হ'ব লাগে। উল্লেখ্য যে বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ নিকাছি ধনশ্ৰীপুৰত আজি এক এম্বুলেন্স সেৱা উদ্বোধন কৰে বিধানসভাৰ অধ্যক্ষগৰাকীয়ে। নিকাছি ধনশ্ৰীপুৰত শ্ৰীশ্ৰী উত্তৰ আঞ্চলিক মা শ্ৰী ভবানী ট্ৰাষ্টৰ উদ্যোগত অনুষ্ঠিত এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে সাংবাদিকৰে হোৱা আছুতীয়া সাক্ষাৎকাৰত সমাগত বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে বিজেপি দল সম্পূৰ্ণ সাজু বুলি জানিব দিয়ে। তেওঁ কয় যে মই যিহেতু বিধানসভাৰ অধ্যক্ষ গতিকে মই কোনো ৰাজনৈতিক সভাত অংশগ্ৰহণ কৰা নাই। কিন্তু দল পূৰ্ণগতিত আগবাঢ়ি আছে। লগতে তেওঁ কয় যে প্ৰতিটো ৰাজনৈতিক দলে সেৱা কৰাৰ পৰিকল্পনাৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই আৰু জয়ী হৈ সেৱা আগবঢ়োৱাৰ পৰিকল্পনাক বাস্তৱ ৰূপ দিব লাগে। ইফালে, তেওঁৰ বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হোৱাৰ সপোন আছে নেকি বুলি সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত অসম বিধানসভাৰ অধ্যক্ষগৰাকীয়ে কয় যে সপোন এটা বেলেগ বস্তু, সপোন দেখিলেই সফল নহ'বও পাৰে। মোক বৰ্তমান বিধানসভাৰ অধ্যক্ষৰ দায়িত্ব দিছে আৰু মই নিষ্ঠা সহকাৰে দায়িত্ব পালন কৰিছো। যদি মোক বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্যৰ দায়িত্ব দিয়ে তেন্তে মই গ্ৰহণ কৰিম। দলে দিয়া দায়িত্ব পালন কৰাটো সকলোৰে দায়িত্ব। ইফালে, এবছুৰ সভাপতি দিপেন বড়োৰ বিজেপিত যোগদান সন্দৰ্ভত চলা চৰ্চা সম্পৰ্কত মন্তব্য আগবঢ়াই দৈমাৰীয়ে কয় যে ছাত্ৰ সংগঠনত থকা সময়ত কোনেও ৰাজনৈতিক চিন্তা কৰিব নোৱাৰে। কিন্তু বিটিআৰৰ উন্নয়নৰ স্বাৰ্থত সকলো এক হোৱাৰ প্ৰয়োজনীয়তা আছে। নহ'লে সকলো ঠাই আগবাঢ়ি যাব কিন্তু বিটিআৰ পিছপৰি ৰ'ব।

# ভৱানীপুৰৰ পথ দুৰ্ঘটনাত নিহত অধিবক্তা নাজমা য়াছমিনৰ গৃহত মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাস



**ই-সংবাদ, ভৱানীপুৰ, ১ জুনঃ** ভৱানীপুৰত ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত কালি বিয়লি সংঘটিত এক শিহৰণকাৰী পথ দুৰ্ঘটনাত নাজমা য়াছমিন (২৮) নামৰ এগৰাকী অধিবক্তা নিহত হোৱা কৰুণ কাহিনীয়ে জোকাৰিছে সমগ্ৰ ভৱানীপুৰ অঞ্চলৰ লগতে সমগ্ৰ ৰাজ্যখনত। উল্লেখ্য, পথ দুৰ্ঘটনাত অধিবক্তা নাজমা য়াছমিন নিহত হোৱা শিহৰণকাৰী দৃশ্যটো সামাজিক মাধ্যমত ব্যাপকভাৱে সম্প্ৰচাৰিত হোৱাৰ পিছত দুৰ্ঘটনাটোক কেন্দ্ৰ কৰি সমগ্ৰ অসম জোঁকাৰি যোৱাৰ লগতে ভৱানীপুৰৰ বিভিন্ন দল-সংগঠনে তীব্ৰ উদ্বেগ তথা প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আজি সন্ধিয়া নিহত অধিবক্তা নাজমা য়াছমিনৰ পূৰ্ব লুৱাশুৰ গাঁৱৰ বাসগৃহত উপস্থিত হয় অসম চৰকাৰৰ আইন আৰু সামাজিক ন্যায় বিভাগৰ মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাস। মন্ত্ৰী দাসে নিহত নাজমা য়াছমিনৰ স্বামী, অধিবক্তা আমিনুল হকৰ লগতে পৰিয়ালবৰ্গক সাক্ষাৎ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে নাজমা য়াছমিনৰ আত্মাৰ সদগতি কামনা কৰে। মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয়- অধিবক্তা নাজমা য়াছমিনৰ নিহত হোৱা স্থান ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সন্মুখভাগ দুৰ্ঘটনাৰ কেন্দ্ৰৰূপে পৰিচিত হৈছে। সেই স্থানত পথ সুৰক্ষাৰ ক্ষেত্ৰত, জনসাধাৰণৰ নিৰাপত্তাৰ ক্ষেত্ৰত চৰকাৰীভাৱে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। উক্ত দুৰ্ঘটনা সন্দৰ্ভত কাইলৈ বজালী জিলা আয়ুক্তৰ কাৰ্যালয়ত পথ সুৰক্ষাৰ ক্ষেত্ৰত এখন সভা অনুষ্ঠিত কৰাৰ বাবে বজালী জিলা আয়ুক্তকো নিৰ্দেশ দিয়া হৈছে। আনহাতে, শিহৰণকাৰী পথ দুৰ্ঘটনাটোক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ আৰু আছুৰ ভৱানীপুৰ আঞ্চলিক সমিতি, ভৱানীপুৰ নক্ষত্ৰ ক্লাব, ভৱানীপুৰ যুথ ক্লাব, হেপী ক্লাব আদি বিভিন্ন সংগঠন আৰু ৰাইজে। আটাইকেইটা সংগঠনৰ তৰফৰ পৰা পৃথকে পৃথকে বজালী জিলা আয়ুক্ত, ভৱানীপুৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াক স্মাৰক-পত্ৰ প্ৰদান কৰে। স্মাৰক-পত্ৰত ৰাষ্ট্ৰীয় ঘাইপথত ই-ৰিক্সাৰ চলাচল বন্ধ কৰা, দুৰ্ঘটনাৰ কেন্দ্ৰৰূপে চিহ্নিত হোৱা ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সন্মুখভাগত ২৭নং ৰাষ্ট্ৰীয় ঘাইপথত পথ সুৰক্ষাৰ বাবে তথা ৰাইজৰ নিৰাপত্তাৰ বাবে বিভিন্ন দাবী জনোৱা হয়। তদুপৰি আজি বজালী জিলা আয়ুক্ত, জিলা আৰক্ষী অধীক্ষক, পৰিবহণ বিভাগৰ বিষয়া, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিষয়াই দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰে। উল্লেখ্য যে কালি বিয়লি প্ৰায় পাঁচ বজাত ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সন্মুখত ফুলৰতল চ'কত ২৭নং ৰাষ্ট্ৰীয় ঘাইপথত এখন ভেনিউ চাৰিচকীয়া বাহনৰ প্ৰচণ্ড খুন্দাত অধিবক্তা নাজমা ইয়াছমিনে বহু দূৰলৈকে উফৰি গৈ এখন ডাম্পাৰৰ আগত পৰাত ডাম্পাৰখন নাজমা য়াছমিনৰ গাৰ ওপৰেৰে উঠি যোৱা এক শিহৰণকাৰী দুৰ্ঘটনাত ইয়াছমিনৰ দেহ ছিন্ন-ভিন্ন হৈ পৰে। ভেনিউ বাহনখনৰ সন্মুখেৰে ৰাষ্ট্ৰীয় ঘাইপথত ই-ৰিক্সা পাৰ হ'বলৈ ধৰোঁতে এই শিহৰণকাৰী দুৰ্ঘটনাটো সংঘটিত হয়। আজি বিয়লি পূৰ্ব লুৱাশুৰৰ ৰাজহুৱা কৱৰস্থানত নাজমা য়াছমিনৰ জানাজা অগণন ৰাইজৰ উপস্থিতিত সম্পন্ন কৰা হয়।

# নগাঁৱৰ ডিমৌ-বৰঘাট সংযোগী ফ'ৰলেন বাইপাছৰ বিধ্বস্ত ৰূপে জ্বলাকলা খুৱাইছে জনতাক

**ই-সংবাদ, বেৰেজীয়া, ১ জুনঃ** উজনিৰপৰা মধ্য অসমৰ মাজেৰে গুৱাহাটী সংযোগী ৰাষ্ট্ৰীয় পথটো অসমৰ এটা অন্যতম গুৰুত্বপূৰ্ণ পথ। এই পথটোৰে নিতৌ শ শ যান-বাহন চলাচল কৰে। কিন্তু অতি ব্যস্ততাপূৰ্ণ এই পথটোৰ নগাঁৱৰ ডিমৌৰপৰা বৰঘাট সংযোগী ফ'ৰলেন বাইপাছৰ অংশছোৱা শেহতীয়াভাৱে বিধ্বস্ত হৈ পৰিছে। বিভাগীয় কৰ্তৃপক্ষৰ দায়িত্বহীনতাৰ বাবে এই পথছোৱাই বৰ্তমান জৰাজীৰ্ণ ৰূপ ধাৰণ কৰিছে। দীৰ্ঘদিনে প্ৰয়োজনীয় মেৰামতিৰ অভাৱত এই বাইপাছৰ অংশটো এতিয়া সুচল যাতায়াতৰ অনুপযোগী হৈ পৰিছে। পথছোৱাৰ ত্ৰিনয়ন হস্পিতালৰ কিছু নিলগত থকা উৰণ সেতুৰ আৰম্ভণিতে সংলগ্ন কাৰ্লভাৰ্টত এটা ফাঁটৰ সৃষ্টি হোৱাৰ লগতে এক বৃহৎ অংশৰ পকীবোৰ এৰাই গৈছে। পৰিণতিত এতিয়া এই পথছোৱাৰে পথচাৰী কিম্বা সৰু-বৰ সকলো যান-বাহনৰ যাতায়াতৰ বেলিকা বিপজ্জনক হৈ পৰিছে। বিশেষকৈ গুৱাহাটীৰ পৰা উজনিলৈ অহা যান-বাহনৰ চালকসকল সাৱধান নহ'লে এই বিধ্বস্ত অংশত সম্ভাব্য বিপদৰ সন্মুখিন হোৱাটো অনিবাৰ্য বুলি ক'ব পাৰি। কিয়নো, পথছোৱাৰ এই বিধ্বস্ত অংশৰ গাঁতত পাতলীয়া বা গধুৰ যি বাহনেই নহওঁক কিয় তীব্ৰ গতিত আহি বাহনবোৰৰ চকা পৰিলে যান-বাহন বিকল হোৱাৰ লগতে ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। তাতোতকৈ চিন্তনীয় কথাটো হ'ল দুচকীয়া বাহনৰ চালকে যদি পথছোৱাত সৃষ্ট গাঁতলৈ লক্ষ্য নকৰে তেনেহ'লে বাহনৰ সৈতে আঁতৰত উৰ্ফাল খাই পৰাটো একপ্ৰকাৰে নিশ্চিত। সেয়ে সদা অতি ব্যস্ততাপূৰ্ণ পথছোৱাৰ এনে বিধ্বস্ত ৰূপক লৈ সচেতন মহলৰ মাজত প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। কাৰণ উজনিবাসীৰ বাবে অতি গুৰুত্বপূৰ্ণ পথছোৱা মৰণফান্দসদৃশ হৈ পৰিছে যদিও বিভাগীয় কৰ্তৃপক্ষই ইয়াৰ প্ৰতি বিশেষ মনোযোগ নিদিয়াৰ অভিযোগ উঠিছে। গতিকে, অনতিপলমে এই ডিমৌ-বৰঘাট সংযোগী ফ'ৰলেন বাইপাছছোৱাৰ বিধ্বস্ত অংশ মেৰামতিৰ ব্যৱস্থা কৰি যাতায়াতৰ সুচল কৰি তুলিবৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ লগতে নগাঁৱৰ লোক নিৰ্মাণ বিভাগৰ প্ৰতি সচেতন মহলে দাবী জনাইছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

**কালৰূপ ধাৰণ কৰিছে কপিলীয়ে, কামপুৰত গড়কাপ্তানি পথ চিঙি নিয়াৰ আশংকা**

# বছৰৰ প্ৰথমটো বানতে নগাঁৱৰ পটিয়াপামত মথাউৰি চিঙি প্লাৱিত কেইবাখনো গাঁও

**ই-সংবাদ, বেবেজীয়া, ১ জুনঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাৰ দক্ষিণ-পশ্চিমাঞ্চলত অব্যাহত আছে বছৰৰ প্ৰথমটো বানৰ বিভীষিকা। জিলাখনৰ কামপুৰত কপিলী নদীৰ বাঢ়নী পানীয়ে কালি নিশাৰ পৰা একপ্ৰকাৰে ত্ৰাসৰ সৃষ্টি কৰিছে। কপিলীৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত নিশা কামপুৰৰ পটিয়াপামত থকা মথাউৰি এটাৰ বৃহৎ অংশ খহাই নিয়াৰ ফলত কেইবাখনো গাওঁ ইতিমধ্যে জলমগ্ন হৈছে হোৱাহোৰে সোমোৱা বাঢ়নী পানীয়ে অঞ্চলটোৰ পটিয়াপাম, ন-দেউৰী গাঁৱৰ বিস্তীৰ্ণ কৃষিভূমি প্লাৱিত কৰাৰ লগতে মানুহৰ ঘৰ-বাৰী সমূহতো পানী সোমোৱাত ৰাইজৰ মাজত হাহাকাৰ পৰিৱেশৰ সৃষ্টি হৈছে। এনে পৰিস্থিতিত দিশহাৰা হৈ পৰা বানাক্ৰান্তই তেওঁলোকৰ পশুধন সমূহ ওখ ঠাইত আশ্ৰয় প্ৰদান কৰোৱা পৰিলক্ষিত হৈছে। ইফালে, কপিলীৰ বলীয়া ঢল গোসাইগাঁৱৰ গড়কাপ্তানি পথৰ ওপৰেৰে বাগৰাৰ ফলত পথচোৰাৰে যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰিছে। ঠিক সেইদৰে ওজাগাঁও, দাপৰা গাৱঁৰ পথো বানত প্লাৱিত হৈছে। তদুপৰি, কামপুৰৰ



সৰিয়হতলীত কপিলীয়ে কামপুৰ-যমুনামুখ পথত খহনীয়াৰ সৃষ্টি কৰাৰ ফলত যিকোনো মুহূৰ্তত পথটোৰ বৃহৎ অংশ চিঙি নিয়াৰ আশংকা পুৰামাত্ৰাই বৃদ্ধি পাইছে। সেয়ে বিভাগীয় লোকে অলপমান মাটিৰে ভেটা দি খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰি যানবাহন ক্ষেত্ৰত সতৰ্কৰ ফলক দিয়া দেখা গৈছে। আনহাতে, কামপুৰৰ আদৰ্শ গাৱঁত বানপীড়িত ৰাইজে অস্থায়ী আশ্ৰয় শিবিৰ স্থাপন কৰি পশুধনৰ সৈতে সহবাস কৰিব লগা হৈছে।

উল্লেখ্য যে আজি নগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত দেৱাহুতি বৰা আৰু কামপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অনন্যা লহকৰে বানপীড়িত অঞ্চল পৰিদৰ্শন কৰি বান পৰিস্থিতিৰ বুজ লয় । জিলা প্ৰশাসনে পশুধনৰ বাবে খাদ্য-সামগ্ৰী যোগান ধৰে আৰু বানপীড়িত ৰাইজৰ বাবে যাবতীয় সকলো দিহা কৰা হ'ব বুলি আশ্বাস দিয়ে। অৱশ্যে বিয়লিপৰ্যন্ত কপিলী নৈৰ জলপৃষ্ঠ বিপদসীমাৰ ওপৰেৰে বৈ থকাত ৰাইজৰ মাজত আতংকৰ চাপ বিয়পি পৰিছে।

# সদৌ অসম বাতৰি কাকত বিতৰক (হকাৰ) সন্থাৰ সম্পাদক বিপ্লৱ শৰ্মাৰ অকাল মৃত্যুত চামতাত শোকৰ ছাঁ

**ই-সংবাদ, চামতা, ১ জুনঃ** সদৌ অসম বাতৰি কাকত বিতৰক (হকাৰ) সন্থাৰ সম্পাদক তথা পশ্চিম নলবাৰী ধৰ্মপুৰ বাতৰি কাকত বিতৰক সন্থাৰ সম্পাদক, চামতাৰ পাৰ্বতী এজেন্সি তথা দেৱী পাৰ্বতী অফচেট প্ৰেছৰ স্বত্বাধিকাৰ নলবাৰীৰ চামতা হাতীৰপিঠি নিৱাসী বিপ্লৱ শৰ্মা (৪৬) উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ আজি বিয়লি ৰঙিয়াৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। কালিৰেপৰা তেওঁক আই চি ইউত ভেণ্টিলেটৰত ৰাখি চিকিৎসা কৰি থকা হৈছিল। সৰবৰহী যুৱক বিপ্লৱ শৰ্মা যোৱা ৩০ মে'ৰ আবেলি নিজ ঘৰতে হঠাৎ উচ্চ ৰক্তচাপজনিত ৰোগত ষ্ট্ৰোক হৈ গুৰুতৰভাৱে অসুস্থ হয়। লগে লগে তেওঁক প্ৰথমে চামতা সামূহিক চিকিৎসালয়ত ভৰ্তি কৰি পিছত নলবাৰী অসামৰিক চিকিৎসালয়লৈ নিয়া হয়। তাৰপৰা তেওঁক নলবাৰী চিকিৎসা মহাবিদ্যালয় হস্পিতাললৈ প্ৰেৰণ কৰে। অৱস্থাৰ অলপো উন্নতি নহোৱাত তেওঁক জি এম চি এইচলৈ প্ৰেৰণ কৰাত উপায় নাপাই পৰিয়ালৰ লোকে



৩০ মে'ৰ নিশা ৰঙিয়াৰ স্বস্তি হাস্পতালত ভৰ্তি কৰায়। আৰ্থিকভাৱে অতি দুৰ্বল পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী বিপ্লৱ শৰ্মাৰ অকাল মৃত্যুত মৃতত সৰগ ভাগি পৰিছে পৰিয়ালটোৰ। বিপ্লৱ শৰ্মাই মৃত্যুৰ সময়ত ৯০ বছৰীয়া বৃদ্ধ তথা ৰুগীয়া পিতৃ সমাজকৰ্মী ভূপেন শৰ্মা, পত্নী আৰু দুই কন্যা সন্তানক সংসাৰত এৰি যায়।

আজি সন্ধিয়া বিপ্লৱ শৰ্মাৰ শৱদেহ ঘৰ আহি পোৱাত তেওঁ চোতাল-ঘৰ লোকাৰণ্য হৈ পৰে। বিপ্লৱৰ নশ্বৰ দেহত পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ সদস্যসকলে গামোচা, ফুল আদিৰে শ্ৰদ্ধাঞ্জলি জনায়। পশ্চিম নলবাৰী ধৰ্পুৰ হকাৰ সন্থা, চামতা আঞ্চলিক ক্ৰীড়া সংঘ, পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থা, পশ্চিম নলবাৰী মণ্ডল আৰু মধুপুৰ মণ্ডল বিজেপিৰ প্ৰতিনিধিৰ দলে শৰ্মাৰ শৱদেহত গামোচা, পতাকা আৰু পুষ্পাঞ্জলি দি শেষশ্ৰদ্ধা জনায়। শৰ্মাৰ অকাল বিয়োগত সদৌ অসম বাতৰি কাকত বিতৰক (হকাৰ) সন্থাৰ সভাপতি মৃদুল কাকতি, চামতা মটৰ ষ্টেণ্ড বজাৰ পৰিচালনা সমিতি, চামতা আঞ্চলিক ক্ৰীড়া সংঘ, পশ্চিম নলবাৰী প্ৰেছ ক্লাব, কুলবিল ঘাট ৰাজহুৱা শিৱালয়, পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থা আদি দল-সংগঠনে গভীৰ শোকপ্ৰকাশ কৰিছে। প্ৰতি পুৱাই আনৰ ঘৰে ঘৰে বাতৰি কাকত বিলাই ফুৰা সৰবৰহী যুৱকজন আজি নিজে বাতৰি কাকতৰ খবৰ হোৱাত বৃহত্তৰ চামতা তথা পশ্চিম নলবাৰী অঞ্চলত শোকৰ ছাঁ পৰিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# গোলকগঞ্জত নাবালিকাক বিয়া কৰি ৰঙাঘৰত স্বামী

**ই-সংবাদ, গোলকগঞ্জ, ১ জুনঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ আৰক্ষীয়ে যোৱানিশা অভিযান চলাই এজন অবৈধ স্বামীক গ্ৰেপ্তাৰ কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, বিচনদৈ দ্বিতীয় খণ্ড গাঁৱৰ আব্দুল কালাম আজাদৰ পুত্ৰ ফৰিজুল হকে ছয় মাহ পূৰ্বে পলুৱাই নিয়ে গৌৰীপুৰ থানাৰ খুদিমাৰী দ্বিতীয় খণ্ডৰ এগৰাকী পোন্ধৰ বছৰীয়া যুৱতীক। বাইহাটা চাৰিআলিত নি এজন কাজীৰ হতুৱাই বিয়া কৰে। কিছুদিন পিছত নিজ গাঁৱৰ ঘৰত ঘূৰি আহে। গৰ্ভৱতী হোৱাৰ পিছৰেপৰা চিকিৎসাৰ দায়িত্ব লয় গাঁওখনৰে মনোৱাৰা বিবি নামৰ এগৰাকী আশাকৰ্মীয়ে। গোপনে বিভিন্ন চিকিৎসকৰ হতুৱাই স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে ব্যক্তিগত ডাইগোনষ্টিক চেণ্টাৰত নি ছোনোগ্ৰাফী কৰে। দুৰ্ভাগ্যবশত: গৰ্ভাৱস্থাতে সন্তানৰ মৃত্যু হয়। আশাকৰ্মীগৰাকীয়ে প্ৰসৱ কৰাৰ চেষ্টা চলায় যদিও অসুস্থ হৈ পৰাত ততাতৈয়াকৈ ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পাতালৰ ভৰ্তি কৰে। চিকিৎসা সেৱা আগবঢ়াই নাবালিকাক বিয়া কৰোৱা বুলি গোলকগঞ্জ থানাত অৱগত কৰে। আৰক্ষীয়ে যোৱানিশা অভিযান চলাই নাবালিকাক বিয়া কৰাৰ অপৰাধত ফৰিজুল হকক গ্ৰেপ্তাৰ কৰি আজি জে'ললৈ প্ৰেৰণ কৰে।

# পশ্চিম যোৰহাট কবি সন্মিলনৰ অধিৱেশনৰ প্ৰস্তুতি

**ই-সংবাদ, পশ্চিম যোৰহাট, ১ জুনঃ** পশ্চিম যোৰহাট শাখা কবি সন্মিলনৰ দ্বি-বাৰ্ষিক প্ৰথম অধিৱেশন অহা ২২ জুনত অনুষ্ঠিত কৰিবলৈ আজি চাৰিঙীয়া জ্ঞানজ্যোতি বিদ্যাপীঠত অনুষ্ঠিত সভাত সিদ্ধান্ত কৰা হয়। অধিৱেশনৰ লগতে সেইদিনা কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা মৃত্যু দিনো পালন কৰা হ'ব। অধিৱেশনৰ লগত সংগতি ৰাখি শাখা কবি সন্মিলনৰ মুখপত্ৰৰ প্ৰথমটো সংখ্যা ভৰত চন্দ্ৰ বৰাৰ সম্পাদনাত সন্মিলনে প্ৰকাশ কৰিবলৈ সিদ্ধান্ত কৰে। অঞ্চলটোৰ কবিসকলক স্ব-ৰচিত কবিতা আৰু কবিতা সম্পৰ্কীয় লেখা অহা ১২ জুনৰ ভিতৰত ভৰত চন্দ্ৰ বৰা, বৰখঙীয়া গাঁও, ফোন ৯৪৫৯৮-৪৩৮৯১ ত প্ৰেৰণ কৰিবলৈ শাখা কবি সন্মিলনৰ সম্পাদক বিকি নেওগে অনুৰোধ জনাইছে।

# দৰঙৰ লোকশিল্পী নিধন কলিতাৰ অকাল মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ

**ই-সংবাদ, দুনী, ১ জুনঃ** দৰঙৰ দেওমৰনৈৰ বিশেষভাৱে সক্ষম শিল্পী নিধন কলিতাৰ অকাল বিয়োগত আজি দেওমৰনৈ তথা পশ্চিম দৰঙত গভীৰ শোকে বিৰাজ কৰে। মাত্ৰ ৫০ বছৰ বয়সতে ইহসংসাৰ এৰি যোৱা নিধনৰ কেইদিনমান পূৰ্বে অসুস্হতাত ভূগিছিল। ঘৰতে চিকিৎসা কৰি সময়ত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিতেলত ভৰ্তি হয়। কিন্তু, গুৱাহাটীত গৈ চিকিৎসা লোৱা নিধনে যোৱানিশা শেষ নিশ্বাস এৰে। ইপিনে, নিশা নিধনৰ মৃত্যুৰ পাছতে দেওমৰনৈৰ ৰেচম পামৰ সমীপতে পৰিয়ালত হুৱাদুৱা লাগে। বিশেষকৈ আৰ্থিক দিশত অতি কৰুণ পৰিয়ালটোৱে গুৱাহাটীৰ পৰা মৃতদেহ আনিবলৈয়েই হাহাকাৰ লাগে। বিষয়টো মঙলদৈৰ বিধায়ক বসন্ত দাসৰ কাণত পৰে আৰু চিকিৎসালয়ৰ পৰা ঘৰলৈ মৃতদেহ অনাত আৰ্থিক দিশত সহায় কৰে। একেদৰে, স্হানীয় নিৰঞ্জন শইকীয়াকে ধৰি কেবাজনো যুৱকে সামাজিক মাধ্যমযোগে নিধনৰ পৰিয়ালটোক সকাহ দিবলৈ গোহাৰি জনোৱাত বহুজনে সহায় আগবঢ়ায়। লক্ষনীয় যে বিশেষভাৱে সক্ষম নিধন কলিতাই পদপথত নতুবা জনসমাগম হোৱা স্থানত চাউণ্ড চিষ্টেম লৈ লোকগীত অথবা জনপ্ৰিয় আধুনিক অসমীয়া গীত গাই পোৱা ধনেৰেই ৪ জনীয়া পৰিয়াল পোহপাল দিছিল। অপূৰ্ব মানসিক উদ্যম তথা ইতিবাচক চিন্তাৰে পৰিচালিত শিল্পীগৰাকীয়ে মৃত্যুৰ সময়ত পত্নী দীপিকা কলিতা, পুত্ৰ গকুল কৃষ্ণ কলিতা, কন্যা বনশ্ৰী কলিতাক এৰি যায়। নিধনৰ পুত্ৰ গকুলে উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষত আৰু কন্যাই সপ্তম শ্ৰেণীত শিক্ষাগ্ৰহণ কৰি আছে। নিধনৰ মৃত্যুত অগপৰ উপ-সভাপতি তথা প্ৰাক্তন অগপ মন্ত্ৰী ডঃ জয়নাথ শৰ্মা, মঙলদৈৰ বিধায়ক বসন্ত দাস, মীন উন্নয়ণ নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, আছুৰ প্ৰাক্তন নেতা নিৰঞ্জন শইকীয়া, দৰং আছুৰ কেন্দ্ৰীয় উপ-সভাপতি খনীন্দ্ৰ ৰাজবংশী, দৰং গোটৰ সভাপতি ৰাজু শৰ্মা, মঙলদৈ প্ৰেছ ক্লাব আদি ভিন্ন দল-সংগঠনে শোকপ্ৰকাশ কৰিছে। নিধনৰ পৰিয়ালটোক এককালীন সাহাৰ্য দিবলৈ মুখ্যমন্ত্ৰীলৈ ৰাইজে গোহাৰি জনাইছে।

# অভয়াপুৰীৰ জৰাজীৰ্ণ বাট-পথ, যান-জঁটে জীয়াতু ভোগাইছে ৰাইজক

**ই-সংবাদ, অভয়াপুৰী, ১ জুনঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী পৌৰসভাৰ অন্তৰ্গত বাট আৰু নলা-নৰ্দমাৰ দুৰাৱস্থাই জীয়াতু ভোগাইছে ৰাইজক। দীৰ্ঘদিন ধৰি বহুকেইটা বাট-পথ, নলা-নৰ্দমা মেৰামতি তথা পুনৰ নিৰ্মাণ নকৰাৰ ফলত যান-বাহন তথা পথচাৰীৰ চলাচল কষ্টকৰ হৈ পৰিছে। জানিব পৰামতে, অভয়াপুৰী ৰাজ্যিক চিকিৎসালয় তথা মহকুমা স্বাস্থ্য বিষয়াৰ কাৰ্যালয়ৰ পৰা নামাবজাৰলৈ যোৱা পথছোৱা ইমানেই জৰাজীৰ্ণ আৰু কদৰ্যময় হৈ পৰিছে যে উক্ত পথত যান-বাহন চলাচল কৰাটো বিপদসংকুল হৈ পৰিছে। মনকৰিবলগীয়া যে অভয়াপুৰীৰ প্ৰধান পথটো যান-বাহন চলাচলৰ বাবে ৱান ৱে' কৰাত ওভতনি যাত্ৰাৰ ক্ষেত্ৰত সমস্ত যান-বাহন উক্ত পথটো ব্যৱহাৰ হৈ আহিছে। আনপিনে বড়িগাঁৱৰপৰা কুমাৰপাৰা হৈ অভয়াপৰীৰ বাসন্তীপাৰালৈ অহা পথটোও বছৰ-বছৰ ধৰি নিৰ্মাণ বা মেৰামতি নকৰাৰ ফলত বাৰিষা কালত গোটেই পথটো বোকাময় হৈ পৰে। ইপিনে, কেইদিনমান ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত পথছোৱাৰ ঠায়ে-ঠায়ে একাঠু পৰ্যন্ত পানী হোৱাত পথটোৰে যাতায়াত কৰা লোকসকলে জীয়াতু ভুগিব লগা হৈছে। এই পথেৰে যান-বাহনৰ চলাচলটো দূৰৰে কথা পথচাৰীও খোজকাঢ়ি অহা-যোৱা কৰিবলৈ সাতবাৰ ভাবিবলগীয়া হয়।তেনেদৰে অভয়াপুৰী




বজাৰৰ ৰাজ্যিক পথৰপৰা পিৰাধৰালৈ যোৱা পথছোৱাও মেৰামতিৰ অভাৱত জৰাজীৰ্ণ হৈ পৰিছে। অভয়াপুৰীৰ আন এক সমস্যা হ'ল ৰাজ্যিক ঘাইপথটো বজাৰ এলেকাৰ প্ৰায় আধা কিল'মিটাৰ পথটো অতিমাত্ৰা ঠেক হোৱাত ভীষণ সমস্যাৰ সৃষ্টি হৈছে। পথটোৰ এটা অংশ পাৰ্কিং প্লেচ হিচাবে চিহ্নিত হোৱাত যান-জঁটত অতীষ্ঠ হবলগীয়া হৈছে। এই পথেৰে ই-ৰিক্সাৰ প্ৰৱেশ নিষিদ্ধ কৰিলেও চহৰখনৰ মাজেৰে যোৱা মূলপথৰ দুয়োকাষে চাইকেল, মটৰ চাইকেল, চাৰিচকীয়া বাহন আদি পাৰ্কিং কৰি ৰখাত তীব্ৰ যান-জঁটৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়। শীৰ্ণ পথছোৱাৰ দুয়োকাষে বাহন আদি ৰখাই থোৱাৰ পাছত শিক্ষাৰ্থীকে ধৰি জৰুৰীকালীন সেৱাসমূহো সময়ে-সময়ে আৱদ্ধ হৈ পৰা পৰিলক্ষিত হয়। এনে অৱস্থাত কণ-কণ ছাত্ৰ-ছাত্ৰী, বৃদ্ধলোক পথছোৱাৰে যাতায়াত কৰাতো দুৰূহ হৈ পৰিছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# শান্তি আলোচনাৰ প্ৰাক্‌ক্ষণত তীব্ৰতৰ হ'ল ৰাছিয়া-ইউক্ৰেইনৰ যুঁজ

## ৰাছিয়াৰ ৪০ খন জেট, ৪০০ ড্ৰোন ধৰাশায়ী ইউক্ৰেইনৰ

**মস্কো, ১ জুন:** শান্তি আলোচনাৰ প্ৰাকক্ষণত ৰাছিয়া আৰু ইউক্ৰেইনে আজি আক্ৰমণ তীব্ৰতৰ কৰি তোলে। নিশাটোৰ ভিতৰতে ড্ৰ'ন আক্ৰমণৰ প্ৰতিক্ৰিয়া স্বৰূপে ইউক্ৰেইনে ৰাছিয়াৰ বিমানঘাটিসমূহক লক্ষ্য কৰি কমেও ৪০টা সামৰিক বোমাৰু বিমান ধ্বংস কৰা বুলি জানিব পৰা গৈছে। দেওবাৰে ইউক্ৰেইনৰ বায়ুসেনাই কয় যে ২০২২ চনত যুদ্ধ আৰম্ভ হোৱাৰ পাছত ৰাছিয়াই নিশাৰ ভিতৰতে আজি সৰ্ববৃহৎ ড্ৰ'ন আক্ৰমণ চলাইছিল। টেলিগ্ৰামত বায়ুসেনাই প্ৰকাশ কৰা এক বিবৃতিত লগতে কোৱা হৈছে যে ৰাছিয়াই প্ৰায় ৫০০ ড্ৰ'ন আৰু ৭টা ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰিছিল, যাৰ বহুকেইটা ইউএএফে বিফল কৰিছে। ইউক্ৰেইনৰ বায়ুসেনাৰ মতে, ৰাছিয়াই কিয়েভৰ বিৰুদ্ধে আক্ৰমণত ৪৭২টা ড্ৰ'ন আৰু ৭টা ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰে। ইউএএফে লগতে কয় যে ইউক্ৰেইনে প্ৰায় ৩৮২টা ড্ৰ'ন আৰু তিনিটা মিছাইল নিক্ষেপ কৰে। দেওবাৰে ইউক্ৰেইনৰ সামৰিক প্ৰশিক্ষণ ক্ষেত্ৰখনত ৰাছিয়াৰ ক্ষেপণাস্ত্ৰৰ আঘাতত ১২ জন ইউক্ৰেইনৰ জোৱান নিহত হয়। তদুপৰি এই আক্ৰমণৰ ফলত ৬০ জনৰো অধিক লোক আহত হয়। আক্ৰমণৰ প্ৰতিক্ৰিয়া স্বৰূপে ইউক্ৰেইনে ৰাছিয়াত নিজৰ অন্যতম বৃহৎ ড্ৰ'ন ভিত্তিক অভিযান আৰম্ভ কৰে আৰু কেইবাটাও বিমান ঘাটিত আক্ৰমণ কৰে। ইউক্ৰেইনৰ বিষয়াসকলে কয় যে ইউক্ৰেইনৰ নিৰাপত্তা সেৱাই আৰম্ভ কৰা অভিযানত ৪০খনতকৈও অধিক ৰাছিয়াৰ বোমাৰু বিমান আৰু সামৰিক বিমান আঘাতপ্ৰাপ্ত হয়। ছ'চিয়েল মিডিয়াত নিশ্চিত নোহোৱা ভিডিঅ'ৰ মাজতে ইৰকুটস্কৰ গৱৰ্ণৰ ইগ'ৰ কবজেভে কয় যে এটা সামৰিক ইউনিটত ড্ৰ'ন আক্ৰমণ সংঘটিত হৈছে। তদুপৰি মুৰ্মানস্ক অঞ্চলৰ গৱৰ্ণৰেও শত্ৰুৰ ড্ৰ'ন দেখা পোৱা বুলি উল্লেখ কৰে। সোমবাৰে অনুষ্ঠিত হ'বলগীয়া শান্তি আলোচনাৰ প্ৰতি ইউক্ৰেইনৰ দায়বদ্ধতা পুনৰ দৃঢ় কৰিলে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কিয়ে। শেহতীয়া বিবৃতিত জেলেনস্কিয়ে কয় যে কিয়েভৰ পৰা অহা এটা প্ৰতিনিধি দলে তুৰস্কৰ ইস্তানবুলত ৰাছিয়াৰ সৈতে হোৱা যুদ্ধবিৰতি আলোচনাত অংশগ্ৰহণ কৰিব।



১১ জন সহযোগীসহ জাহাজেৰে গাজালৈ ৰাওনা হোৱাৰ পূৰ্বে পৰিৱেশকৰ্মী গ্ৰেটা থুনবাৰ্গ, ফটো, দেওবাৰৰ



# বাংলাদেশৰ নোটত হিন্দু-বৌদ্ধ মন্দিৰৰ ছবি

**ঢাকা, ১ জুন:** বাংলাদেশে আজিৰেপৰা নতুন মুদ্ৰা নোট জাৰি কৰিবলৈ আৰম্ভ কৰিছে য'ত এতিয়া প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা প্ৰতিষ্ঠাপক পিতৃ - শ্বেখ মুজিবুৰ ৰহমানৰ প্ৰতিকৃতি নাই। বিতাড়িত প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ পিতৃ শ্বেখ মুজিবুৰ ৰহমানক বাংলাদেশী মুদ্ৰাৰ সকলো নোটতে উল্লেখ কৰা হৈছিল। কিন্তু শ্বেখ হাছিনাক পদচ্যুত কৰাৰ পাছত আৰু দেশৰ ৰাজনৈতিক সংকটৰ পিছত বাংলাদেশ বেংকে যোৱা বছৰ ঘোষণা কৰিছিল যে তেওঁলোকে নতুন নোট জাৰি কৰাৰ দিশত কাম কৰিব। সংবাদ মাধ্যমৰ সৈতে হোৱা এক সাক্ষাৎকাৰত বাংলাদেশ বেংকৰ মুখপাত্ৰ আৰিফ হোছেইন খানে কয় যে নতুন মুদ্ৰাই বাংলাদেশৰ প্ৰাকৃতিক দৃশ্য আৰু লেণ্ডমাৰ্ক প্ৰদৰ্শনৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। খানে কয় যে নতুন ছিৰিজ আৰু ডিজাইনৰ অধীনত টোকাসমূহত কোনো ধৰণৰ মানুহৰ প্ৰতিকৃতি নাথাকিব। এই বেংকনোটত হিন্দু, বৌদ্ধ মন্দিৰৰ ছবি, প্ৰয়াত জৈনুল আবেদিনৰ শিল্পকৰ্ম আৰু ১৯৭১ চনৰ মুক্তিযুদ্ধৰ সময়ত মৃত্যু হোৱাসকলক সন্মান জনোৱা ৰাষ্ট্ৰীয় শ্বহীদ স্মৃতিসৌধ অন্তৰ্ভুক্ত কৰা হ'ব।

# জগন্নাথৰ ৰথত সুখয় বিমানৰ টায়াৰ

**কলকাতা, ১ জুন,** সুখয় যুদ্ধ বিমানত ব্যৱহাৰ হোৱা টায়াৰ ব্যৱহাৰ হ'ব জগন্নাথ ৰথ যাত্ৰাৰ ৰথত। ২০ বছৰীয়া অনুসন্ধানৰ অন্তত জগন্নাথ ৰথ যাত্ৰাৰ আয়োজক কলকাতাৰ ইস্কনে এই বৃহৎ ৰথৰ নতুন টায়াৰ বিচাৰি উলিয়াইছে। বয়িং ৭৪৭ জাম্বো জেটৰ পৰা আহৰণ কৰা পুৰণি টায়াৰৰ ঠাইত সুখয় যুদ্ধ বিমানত ব্যৱহাৰ কৰা আৰু এমআৰএফে নিৰ্মাণ কৰা টায়াৰৰ ব্যৱস্থা কৰা হৈছে। ইস্কন কলকাতাৰ উপ-সভাপতি তথা মুখপাত্ৰ ৰাধাৰমন দাসে এই ৰথৰ বাবে সৰ্বোত্তম উপযুক্ত টায়াৰ বিচাৰি পোৱাৰ কথা প্ৰকাশ কৰে। কলকাতাৰ ৰথ যাত্ৰা আৰম্ভ হৈছিল ১৯৭২ চনত মহানগৰীৰ ৰাজপথেৰে উলিওৱা তিনি দেৱতাক ৰখা এখন সৰু ৰথেৰে। পাঁচ বছৰৰ পাছত ইস্কোনৰ এজন সদস্যই ভগৱান জগন্নাথ আৰু তেওঁৰ ভাই-ভনী ভগৱান বলভদ্ৰ আৰু দেৱী সুভদ্ৰাৰ বাবে তিনিখন নতুন ৰথ দান কৰে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।


# সম্পত্তিৰ লোভত ভাড়াঘৰৰ মালিকক জুই লগাই হত্যা মহিলাৰ

**ভুৱনেশ্বৰ, ১ জুন:** ওড়িশাৰ গঞ্জাম জিলাত ঘৰৰ মালিকক অগ্নিসংযোগ কৰাৰ অভিযোগত এগৰাকী ৫৭ বছৰীয়া মহিলাক গ্ৰেপ্তাৰ কৰা হয়। বিধৱা মহিলাগৰাকীয়ে বৃহস্পতিবাৰে মৃতকৰ সম্পত্তি দখল কৰিবলৈ ঘৰৰ মালিকক জুই লগাই হত্যা কৰাৰ অভিযোগ উত্থাপন হৈছে। মৃত হৰিহৰ চাহু আৰু অভিযুক্ত সুদেষ্ণা জেনাই অঞ্চলটোত ক্ৰমে ঘৰৰ প্ৰথম আৰু তলৰ মহলাত অকলে থাকিছিল। বৃহস্পতিবাৰে পুৱাই অভিযুক্তই মৃতকৰ কোঠাত প্ৰৱেশ কৰি কেৰাচিন ঢালি শুই থকাৰ সময়তে জুই লগাই দিয়ে বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। চাহুক ততাতৈয়াকৈ ইয়াৰ এম কে চি জি মেডিকেল কলেজ এণ্ড হাস্পতাললৈ লৈ যোৱা হয় যদিও চিকিৎসাধীন অৱস্থাত তেওঁৰ মৃত্যু হয়।

## দেশত ক'ভিড আক্ৰান্ত ৩,৩৯৫

**নতুন দিল্লী, ১ জুন:** কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ৰ তথ্য অনুসৰি ভাৰতত সক্ৰিয় কভিড ১৯ ত আক্ৰান্তৰ সংখ্যা ৩,৩৯৫ লৈ বৃদ্ধি পোৱাৰ বিপৰীতে কেৰালা ১৩৩৬ জন আক্ৰান্ত, তাৰ পিছতে আছে মহাৰাষ্ট্ৰ আৰু দিল্লী। শুকুৰবাৰৰ পৰা শনিবাৰৰ ভিতৰত ৬৮৫ জন নতুন ক'ভিড আক্ৰান্ত হোৱাৰ বিপৰীতে দিল্লী, কেৰালা, কৰ্ণাটকত ৪ জন লোকৰ মৃত্যু হোৱাৰ খবৰ পোৱা গৈছে। লগতে উত্তৰ প্ৰদেশত মৃত্যু হৈছে এজন লোকৰ।

# গাজাত খাদ্য সংগ্ৰহ কৰিবলৈ গৈ ২১জনৰ মৃত্যু

**ৰাফা, ২ জুন:** আজি গাজা ষ্ট্ৰিপত খাদ্য গ্ৰহণ কৰিবলৈ যোৱাৰ সময়ত কমেও ২১ জন লোক নিহত হোৱাৰ লগতে কেইবাজনো লোক আহত হয়। ইজৰাইল সমৰ্থিত ফাউণ্ডেশ্যনে পৰিচালনা কৰা সাহায্য স্থানৰ পৰা প্ৰায় এক কিলোমিটাৰ দূৰত্বত থকা জনসমাগমৰ ওপৰত ইজৰাইলী বাহিনীয়ে গুলীচালনা কৰাত তেওঁলোকৰ মৃত্যু হয়। ৰেড ক্ৰছৰ দ্বাৰা পৰিচালিত ওচৰৰ এখন ফিল্ড হাস্পতালৰ বিষয়াসকলে জনোৱা মতে, কোনে গুলীচালনা কৰে সেই কথা স্পষ্ট হোৱা নাই। গাজা স্বাস্থ্য মন্ত্ৰালয়ৰ অভিলেখ বিভাগৰ মুৰব্বী জাহেৰ আল ৱাহেইদীয়ে মৃত্যুৰ সংখ্যা নিশ্চিত কৰি কয় যে নিহতসকলৰ ভিতৰত দুগৰাকী মহিলাও আছে। ইফালে প্ৰত্যক্ষদৰ্শীয়ে বহুলোক চিকিৎসাধীন হৈ থকাৰ কথা প্ৰকাশ কৰিছে। গাজাৰ মানৱীয় ফাউণ্ডেশ্যনৰ নতুন সাহায্য বিতৰণ ব্যৱস্থাত যথেষ্ট বিশৃংখলতাৰ সৃষ্টি হৈছে আৰু ইয়াৰ মাজতে ইজৰাইলী সৈন্যই ডেলিভাৰী স্থানৰ ওচৰৰ ভিতৰত গুলীচালনা কৰা বুলি জানিব পৰা গৈছে।

# অসম সাহিত্য সভাৰ উদ্যোগত লুম্মেৰ দাইৰ জন্মজয়ন্তীত আবক্ষ মূৰ্তি উদ্বোধন

**ই-সংবাদ, ১ জুনঃ** অৰুণাচল প্ৰদেশৰ প্ৰথিতযশা সাহিত্যিক সাংবাদিক লুম্মেৰ দাইৰ ৮৫ সংখ্যক জন্মজয়ন্তী অসম সাহিত্য সভাৰ উদ্যোগত দেওবাৰে পাছিঘাটত উদযাপন কৰা হয়। পাছিঘাট শাখা সাহিত্য সভাৰ আতিথ্যত অনুষ্ঠিত লুম্মেৰ দাইৰ জন্ম জয়ন্তী অনুষ্ঠান উপলক্ষে পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলনৰ পাছতে পাছিঘাটৰ গান্ধী তিনিআলিত লুম্মেৰ দাইৰ আবক্ষ মূৰ্তি উন্মোচন কৰে অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে। অসম সাহিত্য সভাই বিগত ২০০৯ বৰ্ষৰ পৰা আগবঢ়াই অহা অসমীয়া সাহিত্য জগত ভঁৰাল চহকী কৰা অৰুণাচলৰ প্ৰথিতযশা সাহিত্যিক লুম্মেৰ দাই জন্মদিনৰ লগত সংগতি ৰাখি সাহিত্য সূৰ্য্য বঁটা প্ৰদানৰ কাৰ্যসূচী অনুসৰি দেওবাৰে প্ৰতিকূল বতৰকো নেওচি পাচিঘাটৰ গান্ধী ছেকেণ্ডাৰী স্কুলৰ প্ৰাংগনত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এইবাৰৰ বঁটা প্ৰাপক মামং দাইয়ে নিজকে যথেষ্ট সুখী বুলি কোৱাৰ লগতে আগন্তুক দিনত সাহিত্য চৰ্চা কৰি যোৱাৰ কথা সদৰী কৰে। ইফালে অসম সাহিত্য সভাৰ এনেধৰণৰ অনুষ্ঠানৰ জৰিয়তে অসম-অৰুণাচল প্ৰদেশৰ মাজত এক শৈল ৰেখা নিৰ্মাণ কৰাৰ আশাপ্ৰকাশ কৰে অসম সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামীয়ে। অনুষ্ঠানত বিহু, আদি, মিচিং, বড়ো, নেপালী আদিকে ধৰি কেইবাটাও জনগোষ্ঠীৰ কৃষ্টি প্ৰদৰ্শন কৰা হয়। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই আঁতধৰা এই অনুষ্ঠানত অৰুণাচলৰ মন্ত্ৰী অজিং তাচিং, প্ৰাক্তন বিধায়ক কলিং ময়ং, বিধায়ক পুণ্য আপুম, প্ৰাক্তন মন্ত্ৰী তবাৰ জামহ, উপায়ুক্ত টায়ি টাগু, আৰক্ষী অধীক্ষক পংকজ লাম্বা, অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱা, লুম্মেৰ দাই গৱেষণা কেন্দ্ৰৰ কাৰ্যকৰী সভাপতি অপূৰ্ব ফুকন, সম্পাদক ভৰত ৰাজখোৱা, আহ্বায়ক বিনোদ গগৈ, পাছিঘাট শাখা সাহিত্য সভাৰ সভাপতি কালিং বৰাং, সম্পাদক গিৰিন তামুলী, উদযাপন সমিতিৰ সভাপতি অবাং দাই, উপ-সভাপতি তাদুৰাম দাৰাং, লেখক আৰাক মেগু, গিন্দু বৰাঙ, অবাং তায়েং, বাটেম পাৰ্টিন, তাৰাক মিজে, ইলো লিবাং, অজিত শইকীয়া, অৰুণাচল প্ৰদেশ লিটাৰেৰী ছ'চাইটীৰ সভাপতি পনোং এৰিং আদি উপস্থিত থাকে।

## পাছিঘাটত মামাং দাইক লুম্মেৰ দাই সোঁৱৰণী বঁটা প্ৰদান



# ৰঙিয়াত সম্ভাব্য বান পৰিস্থিতি সন্দৰ্ভত প্ৰশাসনৰ বৈঠক

**ই-সংবাদ, ৰঙিয়া, ১ জুনঃ** আজি দিনৰ ভাগত ৰঙিয়া সমজিলা আয়ুক্ত কাৰ্যালয়ত সাম্ভাব্য বান পৰিস্থিতি নিয়ন্ত্ৰণ তথা মোকাবিলা কৰিব পৰাকৈ ব্যৱস্থাগ্ৰহণ সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। ৰঙিয়া সমষ্টিৰ স্থানীয় বিধায়ক ভবেশ কলিতা, সমজিলা আয়ুক্ত দেৱাশীষ গোস্বামীয়ে সমজিলা প্ৰশাসনৰ অধীনস্থ বিভিন্ন বিভাগৰ বিষয়াসকলে বৈঠকত মিলিত হৈ আগতীয়া বান প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। বৈঠকত মহকুমা আৰক্ষী বিষয়া বিশ্বজিৎ ডেকা, ৰঙিয়া ৰাজহ চক্ৰ বিষয়া দেৱাশীষ বৰঠাকুৰ, ৰঙিয়া পৌৰসভাৰ পৌৰপতি অমৰেন্দ্ৰ লহকৰ, জলসম্পদ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা গণেশ কলিতা, লোকনিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা কুশল কাকতি প্ৰমুখ্যে বিষয়াবৰ্গ তথা বিভাগীয় মুৰব্বীসকলৰ উপস্থিত থাকি আলোচনাত মিলিত হয়।

# কৃত্ৰিম বানপানীৰ কবলত বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত





**ই-সংবাদ, বৰমা, ১ জুনঃ** বিগত দুদিন ধৰি অহা নেৰানেপৰা বৰষুণৰ ফলত বানত বুৰিল ঐতিহ্যমণ্ডিত বাক্সা জিলাৰ বৰমাৰ বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়। প্ৰতিবছৰে বাৰিষা হ'লেই পানীৰ মাজেৰেই অহা-যোৱা কৰে ছাত্ৰ ছাত্ৰীয়ে। বিদ্যালয়খনৰ পৰা পানী ওলাই যাব নোৱাৰাৰ বাবেই এইধৰণৰ পৰিস্থিতিৰ উদ্ভৱ হয় বিদ্যালয়খনত। এইবাৰ বিদ্যালয়ৰ সন্মুখেৰে নলা নিৰ্মাণ কৰিছে যদিও কোনো সুফল নাপালে বিদ্যালয়খনে। যাৰফলত এতিয়া পানীৰ মাজেৰেই আহ-যাহ কৰি অস্বাস্থ্যকৰ পৰিৱেশত শিক্ষাগ্ৰহণ অব্যাহত ৰাখিছে ছাত্ৰ ছাত্ৰীয়ে। অৱশ্যে চৰকাৰে উত্তৰ পূৰ্বাঞ্চল বিশেষ আন্ত:গাঁঠনি উন্নয়ন আঁচনি ৬৫ ৰ অধীনত ২০২৪ চনৰ মাৰ্চ মাহত সাত কোটি টকাৰ এটি বিদ্যালয় ভৱনৰ আধাৰশিলা স্থাপন কৰিছিল অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ইউ জি ব্ৰহ্মাই। কিন্তু আজিপৰ্যন্ত কাম আগনাবাঢ়িল বিদ্যালয় খনৰ। যাৰ বাবে কদৰ্যময় পৰিৱেশত পাঠগ্ৰহণ কৰিব লগা হৈছে ছাত্ৰ-ছাত্ৰীয়ে। বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয় খনৰ এনে কদৰ্যময় পৰিৱেশৰ বাবে এতিয়া বৰমা অঞ্চলৰ সচেতন মহলৰ মাজত চলিছে তীব্ৰ প্ৰতিক্ৰিয়া। অতি শীঘ্ৰে চৰকাৰক সমাধান কৰাৰ দাবী জনাইছে বিদ্যালয়খনৰ অধ্যক্ষৰ লগতে বৰমা অঞ্চলৰ সচেতন মহলে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

# নিজ ভাতৃৰ বাইক চুৰি কৰি বিপাঙত পেলালে আৰক্ষীক

**ই-সংবাদ, গোলকগঞ্জ, ১জুনঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত বিৰাট নগৰ চাৰিআলিত কালি বিয়লি এখন বাইক চুৰিক কেন্দ্ৰ কৰি এক নাটকীয় ঘটনাৰ সৃষ্টি হয়। জানিব পৰা মতে বিৰাট নগৰ চাৰিআলিত প্ৰায়ে বাইক চুৰিৰ ঘটনা সংঘটিত হৈ আহিছে। কালি বিয়লি AS 17Q 9732 নম্বৰৰ এখন পালচাৰ বাইক চুৰি হয়। বাইকৰ গৰাকী নুৰ ছালামৰ পৰা ভনী জোঁৱায়েকে বাইকখন বজাৰত থৈ কৰবালৈ গৈছিল। ঘূৰি আহি বাইক নাপাই হুৱাদুৱা লাগে। এই সন্দৰ্ভত নুৰ ছালামৰ ভাতৃ নুৰ ইছলামে গোলকগঞ্জ থানাত এজাহাৰ দাখিল কৰে। স্থানীয় ৰাইজে বিভিন্ন ব্যৱসায়ীক প্ৰতিষ্ঠানৰ পৰাচিচিটিভি কেমেৰাৰ ভিজুৱেল সংগ্ৰহ কৰি আৰক্ষীক যোগান ধৰে। চিচিটিভি কেমেৰাৰ ফুটেজৰ ভিত্তিত গোলকগঞ্জ আৰক্ষীয়ে নিশা আঠ বজাত বিচনদৈত খেদি খেদি বাইক চোৰ খলিল আলীক কৰায়ত্ত কৰে। খলিলৰ স্বীকাৰোক্তিয়ে চকু কপালত তোলে তদন্তকাৰী বিষয়াৰ। বাইকৰ গৰাকীৰ ভাতৃ তথা এজাহাৰকাৰী নুৰ ইছলামৰে বুজাবুজিত বাইকখন চুৰি কৰিছিল খলিলে। চুৰি কৰাৰ পিছত আৰক্ষী আৰু নিজ ভাতৃক বিপথেপৰিচালিত কৰাৰ বাবে নুৰ ইছলামে থানাত এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে মাতি পঠিওৱাত নুৰ ইছলাম থানাত হাজিৰ হৈ সকলো কথা স্বীকাৰ কৰে। নিশা এজাহাৰ উঠাই নিয়াত দুয়োকে যাবলৈ দিয়ে। উল্লেখ্য যে যোৱা ২৩ মে'তো বিৰাট নগৰ চাৰিআলিৰ পৰা এখন হিৰো চুপাৰ স্পেলেণ্ডাৰ বাইক চুৰি হৈছিল। আৰক্ষীয়ে ঘটনাটো গুৰুত্ব দি তদন্ত কৰিলে চুৰি বাইকখন উদ্ধাৰ হোৱাৰ সম্ভাৱনা থকা বুলি স্থানীয় ৰাইজে মতপোষণ কৰিছে।

# শৃংখলক উভতি ধৰিলে কলিতা আলপাইন জনগোষ্ঠীয়ে

**ই-সংবাদ, চাপৰ, ১ জুনঃ** সামাজিক মাধ্যম যোগে লাচিত সেনাৰ নেতা শৃংখল চলিহাই ধুবুৰী জিলাত মিঞাৰ বাহিৰে কোনো খিলঞ্জীয়া জনগোষ্ঠী নাই বুলি কৰা বক্তব্যৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে অবিভক্ত গোৱালপাৰা জিলাৰ কলিতা জনগোষ্ঠীৰ লগতে ধুবুৰী জিলা কলিতা আলপাইন জনগোষ্ঠী। আজি অবিভক্ত গোৱালপাৰা জিলাৰ কলিতা জনগোষ্ঠীৰ লগতে ধুবুৰী জিলা কলিতা আলপাইন জনগোষ্ঠীয়ে এক সংবাদ মেল সম্বোধন কৰি কয়-- শৃংখল চলিহাৰ ধুবুৰী জিলাৰ প্ৰতি সম্যক জ্ঞান নাই। শৃংখল চলিহাক ধুবুৰীৰ ইতিহাসৰ বিষয়ে অধ্যয়ন কৰিবলৈ আহ্বান জনায়। লগতে উল্লেখ কৰি কয় যে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা জননেতা শৰৎ চন্দ্ৰ সিংহৰ জন্মস্থান ধুবুৰী জিলাত। যিজন স্বনামধন্য ব্যক্তিৰ আদৰ্শৰ অনুপ্ৰেৰণা কৰে অসমৰ একাংশ ৰাইজে। ধুবুৰী জিলাত জন্ম পদ্মশ্ৰী প্ৰতিমা পাণ্ডে বৰুৱাৰ। গতিকে শৃংখল চলিহা ধুবুৰীৰ বিষয়ে অধ্যয়ন কৰা প্ৰয়োজন। ধুবুৰী জিলাত বিভিন্ন জনগোষ্ঠীৰ মানুহ বসবাস কৰে। তেনেক্ষেত্ৰত ধুবুৰী জিলাত কেৱল মিঞা থকা বুলি টুলুঙা মন্তব্য দিয়াৰ পৰা বিৰত থকাৰ লগতে ধুবুৰীবাসীৰ আগত অনতি পলমে ক্ষমা খুজিবলৈ দাবী জনায়। অন্যথা বিতৰ্কিত নেতা শৃংখল চলিহাৰ বিৰুদ্ধে আইনী ব্যৱস্থা হাতত লোৱাৰ উপৰিও তীব্ৰ আন্দোলন গঢ়ি তুলিব বুলিও সংবাদমেল যোগে হুংকাৰ দিয়ে।

**খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ কৰ্মচাৰী প্ৰচোন চক্ৰৱৰ্তীৰ নিৰ্লজ্জ কাণ্ড**

# কালেকচন মাষ্টাৰৰ ৰূপত বৰমাৰ এগৰাকী চৰকাৰী বিষয়া

**ই-সংবাদ, বৰমা, ১ জুনঃ** কালেকচন মাষ্টাৰৰ ৰূপত বাক্সা জিলাৰ বৰমাৰ এগৰাকী চৰকাৰী বিষয়া। চৰকাৰী আঁচনিৰ ধন মোকলাই দিয়া নামত লোকৰ পৰা দয়া কৰি ধন লুটা কালেকচন মাষ্টাৰ প্ৰচোন চক্ৰৱৰ্তী টিহু বৰমা উন্নয়ন খণ্ডৰ একাউটেন্ট। টিহু বৰমা খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ চৰকাৰী বিষয়াৰ ধনদাবীৰ ফোন ৰেকৰ্ডিং ভাইৰেল হোৱাৰ পিছতেই সমগ্ৰ ঘটনাটো পোহৰলৈ আহে। উল্লেখ্য যে বানপানীত বিধ্বস্ত বৰমাৰ এটা পথৰ মেৰামতিৰ নামত দুই লাখ টকা মুকলি হোৱাৰ পিছতে একাউটেন্টগৰাকীয়ে ফোনযোগে টকা দাবী কৰে বৰমাৰ স্থানীয় ব্যক্তি আলকাছ আলীক। ভাইৰেল হোৱাৰ অডিঅ' ৰেক'ৰ্ডিঙত বিষয়াগৰাকীৰ নিৰ্লজ্জ কাণ্ড স্পষ্ট হৈ উঠিছে, কেনেকৈ এগৰাকী চৰকাৰী বিষয়াই উন্নয়নমূলক কামৰ বাবে টকাৰ ওপৰতো চকু দিয়ে। ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক বুঢ়া আঙুলি দেখুৱাই বিটিআৰৰ বাক্সাৰ বৰমাত মুকলিকৈ ফোনত ধনদাবী কৰা এইগৰাকী বিষয়াৰ বিৰুদ্ধে আছে অন্য কেতবোৰ গুৰুতৰ অভিযোগ। ফোন ৰেক'ৰ্ডিঙৰ উপৰিও মোবাইলৰ কেমেৰাত আৱদ্ধ হৈছে পূৰ্বে কেনেকৈ ধনদাবী কৰিছিল প্ৰচোন



চক্ৰৱৰ্তীয়ে সকলো কথা স্বীকাৰ কৰিছে। অতিশীঘ্ৰে এইগৰাকী প্ৰচোন চক্ৰৱৰ্তীক নিলম্বন কৰাৰ লগতে উচিত শাস্তি বিচাৰিছে বৰমাৰ স্থানীয় ব্যক্তি আলকাচ আলীৰ লগতে সচেতন মহলে। এতিয়া প্ৰশ্ন হয় প্ৰমোদ বড়োৰ নেতৃত্বধীন বিটিআৰত চৰকাৰী কৰ্মচাৰীৰ ওলাই পৰিছে কেনেকৈ কালেকচন কৰিব লাগে ইয়াৰে চৰিত্ৰ। অৱশ্যে কাৰ্যালয়টোত যোগদান কৰাৰ পিছৰেপৰা বিভিন্ন লোকক ধন বিচাৰি হাৰাশাস্তি কৰাৰ অভিযোগ আছে এইগৰাকী বিষয়াৰ বিৰুদ্ধে। এতিয়া এই ভাইৰেল ফোন ৰেক'ৰ্ডিং আৰু মোবাইলত আৱদ্ধ হোৱা ভিজুৱেলটোৱে প্ৰমাণ কৰিলে বিষয়াগৰাকীৰ প্ৰকৃত চৰিত্ৰ।

# কলগাছিয়া ৰাজহ চক্ৰত অৱসৰপ্ৰাপ্ত লাট মণ্ডলক সম্বৰ্ধনা

**ই-সংবাদ, কলগাছিয়া, ১ জুন:** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰত চাকৰি জীৱন সম্পন্ন কৰি অৱসৰগ্ৰহণ কৰা দুগৰাকী লাট মণ্ডলক শনিবাৰে আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। কলগাছিয়া ৰাজহ চক্ৰৰ চক্ৰ-বিষয়া প্ৰাঞ্জল শৰ্মা বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বিদায়ী সম্বৰ্ধনা সভাত উদ্দেশ্য ব্যাখ্যা কৰে এছ কে লাট মণ্ডল আকবৰ আলী আহমেদে। কলগাছিয়া ৰাজহ চক্ৰত চাকৰিকাল সমাপ্ত কৰা লাট মণ্ডল ক্ৰমে আব্দুছ ছামাদ আৰু জহুৰ উদ্দিন আহমেদে অৱসৰগ্ৰহণ কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত উপস্থিত থাকি অৱসৰ গ্ৰহণ কৰা লাট মণ্ডল দুগৰাকীলৈ অভিনন্দন জ্ঞাপন কৰে বৰপেটা জিলাৰ অতিৰিক্ত আয়ুক্ত কে কলিতাৰ উপৰিও বৰনগৰৰ চক্ৰ-বিষয়া, বাঘবৰৰ চক্ৰ-বিষয়া, চেঙাৰ চক্ৰ- বিষয়া আদি বিশিষ্ট ব্যক্তিসকলে। অনুষ্ঠানটোৰ জৰিয়তে লাট মণ্ডল দুগৰাকীক ফুলাম গামোচা, শৰাই, জাপি, মান-পত্ৰ, আৱনাই, ধৰ্মীয় গ্ৰন্থ, চোলা, নামাজ আদায় কৰা সামগ্ৰী আদিৰে ৰাজহুৱাকৈ সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটোত কলগাছিয়া ৰাজহ চক্ৰৰ চক্ৰ-বিষয়া প্ৰাঞ্জল শৰ্মা বৰুৱাৰ লগতে সমূহ কৰ্মচাৰীবৃন্দৰ লগতে তৰণী সন্থা, গাঁওপ্ৰধান সন্থাৰ তৰফৰপৰাও বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়।

## ব্ৰহ্মপুত্ৰত সন্ধানহীন ৭ বছৰীয়া শিশু

# ৰহমৰীয়াত ব্ৰহ্মপুত্ৰৰ বাঢ়নি পানীৰ মাজত আবদ্ধ ৪ জন

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১ জুনঃ** ডিব্ৰুগড় জিলাৰ চাবুৱা ৰাজহ চক্ৰৰ অন্তৰ্গত ৰহমৰীয়াত এক চাঞ্চল্যকাৰী ঘটনা সংঘটিত হৈছে। কালি ৰহমৰীয়াৰ পৰা ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ পলভঙা চাপৰিলৈ নিজৰ গৰুখুঁটিলৈ যোৱা ৪ জন লোক আজি পৰ্যন্ত সিটো পাৰে আবদ্ধ হৈ থাকিব লগা হৈছে। ব্ৰহ্মপুত্ৰ নদীৰ পানী হঠাৎ বাঢ়ি অহাত উভটি আহিব নোৱাৰিলে ভুটভুটি নাঁৱত সিপাৰলৈ যোৱা ব্যক্তি কেইজন। লোককেইজনক এছ ডি আৰ এফ বাহিনীয়ে উদ্ধাৰৰ প্ৰচেষ্টা চলাই ব্যৰ্থ হোৱাৰ পিছত এতিয়া হেলিকপ্তাৰৰ দ্বাৰা প্ৰশাসনে লোককেইজনক উদ্ধাৰ কৰাৰ প্ৰয়াস চলাব বুলি জানিব পৰা গৈছে। এই ৰুদ্ধশ্বাস ঘটনাৰ ফলত কালিৰ পৰা অঞ্চলটোত তীব্ৰ চাঞ্চল্য বিৰাজ কৰি থকা পৰিলক্ষিত হৈছে। ব্যক্তিকেইজনৰ নাম অজয় উৰাং, প্ৰাঞ্জল উৰাং, পিটিকৈ দাস আৰু ৰঞ্জিত কুৰ্মী বুলি জানিব পৰা গৈছে। ইফালে, লাহোৱালৰ অকলেণ্ডৰ ১৭ নং লাইনত আন এক অঘটন সংঘটিত হৈছে। ব্ৰহ্মপুত্ৰত সন্ধানহীন হৈছে এটি ৭ বছৰীয়া শিশু। সন্ধানহীন ৭ বছৰীয়া তনুজ মুড়া নামৰ শিশুটি খেলিবলৈ যাওঁতেই ভৰি পিছল খাই ব্ৰহ্মপুত্ৰত পৰি যায়। বৰ্তমান শিশুটিৰ সন্ধানত স্থানীয় প্ৰসাশনৰ সহযোগত এছ ডি আৰ এফ, এন ডি আৰ এফে অভিযান অব্যাহত ৰাখিছে।

# মাৰ্ঘেৰিটাত নিশাৰ ভিতৰতে অহা বাঢ়নী পানীত আৱদ্ধ বহুলোক

**ই-সংবাদ, মাৰ্ঘেৰিটা, ১ জুনঃ** ৰাজ্যজুৰি হোৱা মুযলধাৰ বৰষুণৰ ফলত মাৰ্ঘেৰিটাতো বুঢ়ীদিহিং নৈৰ জুলস্তৰ বৃদ্ধি হৈ সৃষ্টি কৰিছে ভয়ংকৰ বানৰ। মাৰ্ঘেৰিটা সম-জিলা অন্তৰ্গত বহুকেইখন গাঁও এতিয়া বানপানী কবলত। বিশেষকৈ মাৰ্ঘেৰিটা সম-জিলা অন্তৰ্গত ৰডডুবা দিহিংপৰীয়া আৰু ভিতৰপাৰৈ গাঁও ভয়ংকৰ ৰূপত ক্ষতিগ্ৰস্ত হৈছে বানপানীত। ফেনেফুটুকাৰে উফন্দি উঠা বুঢ়ীদিহিং নৈৰ পানীৰ নিশাই উক্ত গাঁওকেইখনত প্ৰৱেশ কৰাত হোৱাদুৱাৰ সৃষ্টি হয় ৰাইজৰ মাজত। নিশাই কিছু লোক নিৰাপদ স্থানলৈ উলাই আহিবলৈ সক্ষম হয় যদিও বৰ্তমানো বহু লোক পানীৰ মাজতে আৱদ্ধ হৈ থকা কথা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। কিছু বানপীড়িতই নিৰাপদ স্থানত আশ্ৰয় গ্ৰহণ কৰিছে যদিও বৰ্তমানলৈকে প্ৰশাসনৰ তৰফৰ পৰা একো সুবিধা লাভ নাই কৰা বুলি জানিব পৰা গৈছে। বৰ্তমানলৈকে



মাৰ্ঘেৰিটাত বুঢ়ীদিহিং নৈৰ জলস্তৰ বৃদ্ধি হৈয়ে থকাত সন্ত্ৰস্ত হৈ পৰিছে নৈৰপৰীয়া লোক। ৰাইজে অতি শীঘ্ৰেই পানীৰ মাজত আৱদ্ধ হৈ পৰা লোকসকলক উদ্ধাৰৰ লগতে পৰ্যাপ্ত পৰিমাণৰ সুবিধা প্ৰদান কৰিবলৈ প্ৰশাসনক দাবী জনাইছে। মথাউৰি নিৰ্মাণ নকৰাৰ বাবেই ৰডডুবাত বানপানী হোৱাৰ অভিযোগ স্থানীয় ৰাইজৰ। ৰাইজে অতিশীঘ্ৰে মথাউৰি নিৰ্মাণ কৰি বানপানী সমস্যা সমাধান কৰিবলৈ অসম চৰকাৰলৈ দাবী জনাইছে।

# বাঘমাৰা চৰত গৰাখহনীয়াত গৃহহীন শতাধিক পৰিয়াল



**ই-সংবাদ, শিমলীতোলা, ১ জুনঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত ১ নং বাঘমাৰা চৰত দীৰ্ঘদিন ধৰি জলজলী নদীৰ খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰাত অঞ্চলটোৰ কেইবাশ হেক্টৰ কৃষিভূমি নদীৰ বুকুত জাহ যোৱাত ভূমিহীনত পৰিণত হৈছে শতাধিক পৰিয়াল। ইতিমধ্যে জলজলী নদীৰ খহনীয়াৰ কৱলত পৰাৰ বাবেই দুখন চৰকাৰী বিদ্যালয়, কৃষিভূমিৰ লগতে কেইবাটাও পৰিয়ালৰ ঘৰ-দুৱাৰো খহনীয়াত জাহ যোৱাৰ পাছত সম্প্ৰতি ১ নং বাঘমাৰা চৰৰ মূল গাঁওখনৰ প্ৰতিও চৰম ভাবুকি আহিছে। অসম চৰকাৰৰ জলসম্পদ বিভাগ, স্থানীয় বিধায়কক বাৰে অৱগত কৰাৰ পিছত কোনো ব্যৱস্থা গ্ৰহণ নকৰাত উপায়ন্তৰ হৈ প্ৰত্যেক বছৰেই বাৰিষাৰ আগতেই গাঠিৰ ধনেৰে নদী বান্ধৰ কাম কৰিবলগীয়া হৈছে স্থানীয় ৰাইজে। বাৰিষাৰ সময়ত জলজলী নদীৰ বাঢ়নীয় পানীয়ে চপৰা চপৰে নদীৰ পাৰ খহাই নিয়াত ভয়ংকৰ বিপদৰ আশংকাত ভুগিছে নৈ পৰীয়া ৰাইজে। জলজলী নদীৰ তীব্ৰ গৰাহখহনীয়ৰ পৰা নৈপৰীৰা ৰাইজৰ জীৱন সম্পত্তিৰ নিৰাপত্তাৰ স্বাৰ্থত শীঘ্ৰে অঞ্চলটোৰ খহনীয়া প্ৰতিৰোধৰ বাবে ফলপ্ৰসু ব্যৱস্থা গ্ৰহণ কৰিবলৈ জলসম্পদ বিভাগ, স্থানীয় বিধায়ক শ্বেৰমান আলী আহমেদ, চেঙাৰ বিধায়ক আশ্ৰাফুল হুছেইনৰ লগতে বৰপেটা জিলা আয়ুক্তক ভুক্তভোগী ৰাইজে দাবী জনাইছে।

# সৰুচৰাই পৰ্বতীয়াত ৪০ মেধাৱী শিক্ষাৰ্থীক অভিনন্দন

**ই-সংবাদ, পশ্চিম যোৰহাট, ১ জুনঃ** যোৰহাটৰ সৰুচৰাই পৰ্বতীয়া গাঁৱৰ নামঘৰত উচ্চ-উচ্চতৰত উত্তীৰ্ণ ৪০ গৰাকী মেধাৱী শিক্ষাৰ্থীক ১ জুনত অভিনন্দন জনায়। নামঘৰ পৰিচালনা সমিতিৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানত মাজুলী মহাবিদ্যালয়ৰপৰা অৱসৰগ্ৰহণ কৰা অনিল হাজৰিকাই উচ্চতৰত আগন্তুক বৰ্ষৰপৰা সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত ৩ গৰাকী শিক্ষাৰ্থীক ৫, ৩, ২ হাজাৰকৈ নগদ ধন প্ৰদানৰ বাবে প্ৰতিশ্ৰুতি দিয়াৰ লগতে বছৰি অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰিবৰ বাবে পৰ্বতীয়া আদৰ্শ মজলীয়া বিদ্যালয়ৰপৰা প্ৰধান শিক্ষকৰূপে অৱসৰগ্ৰহণ কৰা বীৰেন্দ্ৰ নাথ পূজাৰীয়ে ৫ হেজাৰকৈ টকা আৰ্থিক অনুদান দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। পুতুল কলিতাই আঁতধৰা, অঞ্জন শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাখন দেবাশিস শইকীয়াই পৰিৱেশন কৰা বৰগীতেৰে আৰম্ভ হয়। বীৰেন্দ্ৰ নাথ পূজাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অনিল হাজৰিকা, ৰাজীৱ গায়ন, শংকৰলাল মহত', অনিল চন্দ্ৰ বৰা প্ৰমুখ্যে ভালেকেইগৰাকীয়ে বক্তব্য আগবঢ়ায়। ৰমেন শইকীয়া, নগেন সাউদ বিশিষ্ট অতিথিৰূপে উপস্থিত থকা সভাখনত সদ্যঘোষিত উচ্চ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত গাঁওখনৰপৰা উত্তীৰ্ণ হোৱা ২২ গৰাকী আৰু উচ্চতৰত উত্তীৰ্ণ ১৮ গৰাকী শিক্ষাৰ্থীক একোখনকৈ গামোচা পিন্ধাই ফাইল-ক'ভাৰৰ লগতে শিক্ষণ সামগ্ৰী প্ৰদান কৰে। ২০০৫ চনৰ পৰা গাঁওখনত অনুষ্ঠিত কৰি অহা অভিনন্দন অনুষ্ঠানৰ এইবছৰ নামঘৰ পৰিচালনা সমিতিৰ সম্পাদক ৰণ্টু কলিতা আৰু বিষয়ববীয়া-সদস্যসকলৰ উদ্যোগত আয়োজিত সভাখনত গাঁওখনৰ পুৰুষ-মহিলা, যুৱক-যুৱতী, শিশুসকল উপস্থিত থাকে।

# মস্কোলৈ ৰাওনা 'উশ্বু' খেলুৱৈ কাশ্যপী সোণোৱালৰ

**ই-সংবাদ, ডিব্ৰুগড়, ১ জুনঃ** ৰাছিয়াৰ মস্কোত অনুষ্ঠিত হ'ব লগা মস্কো উচু (ইউ এচ ইউ) ষ্টাৰ চেম্পিয়নশ্বিপত দেশৰ হৈ প্ৰতিনিধিত্ব কৰাৰ বাবে ডিব্ৰুগড় পৰা ৰাওনা হৈছে কাশ্যপী সোণোৱাল। ডিব্ৰুগড়ৰ কদমণি ৰেৱা আগৰৱালা পথৰ নিবাসী জয়ন্ত সোণোৱাল আৰু চিংকু মণি সোনোৱালৰ কন্যা তথা ডিব্ৰুগড়" সম্পূৰ্ণ কেন্দ্ৰীয় বিদ্যালয়"ৰ অষ্টম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰী কাশ্যপী সোণোৱালক বিগত ২ মে'ৰ পৰা ৬ মে'লৈ উত্তৰাখণ্ড ডেৰাডুনৰ ৰায়পুৰত অনুষ্ঠিত হোৱা বাচনি পৰীক্ষাত অংশগ্ৰহণ কৰি ৰাছিয়াৰ মস্কোত অনুষ্ঠিত হ'ব লগীয়া 'মস্কো উচু ষ্টাৰ চেম্পিয়নশ্বিপ'ৰ বাবে ভাৰতীয় দলটো নিৰ্বাচিত হৈছিল। উল্লেখযোগ্য যে,কাশ্যপি সোনোৱালে ইতিমধ্যে ডিব্ৰুগড় জিলাৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰু পাঞ্জাৱ, কলিকতা, ঝাৰখণ্ড, হিমাচল প্ৰদেশ, ইম্ফল, মণিপুৰ, শ্বিলং, উত্তৰাখণ্ড, আদিৰ উপৰিও



চীন, ৰাছিয়া আদিত অংশগ্ৰহণ কৰি সোণ,ৰূপ আদিৰ পদক অৰ্জন কৰি খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ পূৰ্বে খেলুৱৈ গৰাকী ২০২২ ত ৰাছিয়াৰ মস্কোত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনতো দেশৰ হৈ প্ৰতিনিধিত্ব কৰি চতুৰ্থ স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। খেলুৱৈ গৰাকীয়ে এইবাৰো দেশৰ হৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হ'ব বুলি সকলোৱে আশা কৰা লগতে ডিব্ৰুগড় জিলা উচু সন্থাৰ সভাপতি ড° শশীকান্ত শইকীয়া আৰু সম্পাদক তথা প্ৰশিক্ষক মমী কছাৰী সহ ক্ৰীড়া সংগঠক সমুহে শুভেচ্ছা জ্ঞাপন কৰিছে।




আইপিএল কোৱালিফায়াৰ ২ মেচত পঞ্জাব কিংগছৰ বিৰুদ্ধে দৰ্শনীয় শ্বট মুম্বাই ইণ্ডিয়ানছৰ জনী বেইৰষ্ট'ৰ

## সমৰ্থকৰ তীব্ৰ উন্মাদনা! ২ জনৰ মৃত্যু, আৰক্ষীসহ ২ শতাধিক আহত

# পেৰিছত পিএছজিৰ বিজয় পেৰেডত হিংসা! ৫ শতাধিকক গ্ৰেপ্তাৰ

**পেৰিছ, ১ জুনঃ** চেম্পিয়নছ লীগৰ জয়ৰ উদযাপন পৰিণত হ'ল ভয়ংকৰ বিশৃংখলতালৈ। ফ্ৰান্সৰ ৰাজধানী পেৰিছত চেম্পিয়নছ লীগৰ ফাইনেল উদযাপনৰ সময়ত সৃষ্টি হয় হিংসাত্মক পৰিস্থিতিৰ। এই ঘটনাত দুজন লোকৰ মৃত্যু ঘটাৰ লগতে কমেও ১৯২ জন লোক আহত হয়। ঘটনাৰ পিছতে আৰক্ষীয়ে ৫০০ৰো অধিক লোকক গ্ৰেপ্তাৰ কৰে। শনিবাৰে নিশা সমগ্ৰ ফ্ৰান্সৰ ৰাজধানীত পেৰিছ ছেইন্ট জাৰ্মেনে (পিএছজি) ইণ্টাৰ মিলানক পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে চেম্পিয়নছ লীগ জয় কৰাৰ পিছত অনুৰাগীৰ মাজত সূচনা হয় উন্মাদ উদযাপনৰ। সেই সময়তে সৃষ্টি হয় হিংসাত্মক পৰিস্থিতিৰ। দেওবাৰে পুৱা স্বৰাজ মন্ত্ৰালয়ে প্ৰদান কৰা প্ৰাৰম্ভিক তথ্য অনুসৰি মুঠ ৫৫৯ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে, ইয়াৰে ৪৯১ জন পেৰিছৰ। ইয়াৰে ৩২০ জন আৰক্ষীৰ জিম্মাত আছে। এই হিংসাত্মক ঘটনাত দুজন লোকৰ মৃত্যু হয়। আৰক্ষী অধীক্ষক লৰেন্ট নুনেজে সাংবাদিকৰ আগত কয় যে পেৰিছত সংঘটিত পথ দুৰ্ঘটনাত এজন ২০ বছৰীয়া যুৱকৰ মৃত্যু হৈছে। ইয়াৰ লগত উদযাপনৰ মাজত কোনো সম্পৰ্ক আছে নেকি সেই বিষয়ে তদন্ত চলি আছে। আনহাতে, ফ্ৰান্সৰ সংবাদ মাধ্যমে দক্ষিণ-পশ্চিমৰ ডাক্স চহৰত এজন ১৭ বছৰীয়া কিশোৰক ছুৰীকাঘাত কৰি হত্যা কৰা বুলি প্ৰকাশ কৰিছে। এই সংঘৰ্ষত ১৯২ জন লোক আহত হয়। চেম্পছ এলিচিছ এভিনিউৰ বাছ ষ্টপবোৰৰ ওপৰত আক্ৰমণ চলায় উন্মাদ লোকে। আনকি পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰা আৰক্ষীৰ ওপৰতো সংঘটিত হয় আক্ৰমণৰ ঘটনা। আৰক্ষীয়ে কন্দুৱা গেছ আৰু পানীৰ কামান ব্যৱহাৰ কৰি পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা কৰে। দেওবাৰে স্বৰাজ মন্ত্ৰালয়ে জনোৱা মতে, ২০০ৰো অধিক গাড়ীত অগ্নিসংযোগ কৰাকে ধৰি শ শ অগ্নিকাণ্ড সংঘটিত হৈছে। ২২ জন নিৰাপত্তা বাহিনীৰ সদস্য আৰু ৭ জন অগ্নিনিৰ্বাপক বাহিনীৰ জোৱানো আহত হৈছে। ইফালে দেওবাৰে পিএছজিয়ে চেম্পছ এলিছিছত বাহিৰ কৰা বিজয় পেৰেডৰ সময়ত যিকোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ বাবে ৫৪০০ আৰক্ষীক মোতায়েন কৰা হয়।




বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি